# ঢেকিয়াল ফুকন আৰু অসমৰ নৱজাগৰণৰ ধাৰণা

## ড° হীৰেন গোহাঁই

এখন সমাজৰ চিন্তা আৰু মননৰ বিকাশ আৰু প্ৰগতিৰ অন্যতম সাক্ষ্য ফুটি উঠে কথাবোৰ নতুনকৈ, নতুন দৃষ্টিভংগীৰপৰা, নতুন ধ্যান-ধাৰণাৰে চিন্তা কৰাত। এই ক্ষেত্ৰত আমাৰ শোচনীয় অক্ষমতা অথবা ব্যৰ্থতা যিকোনো নিৰপেক্ষ পৰ্যবেক্ষকে স্বীকাৰ কৰিব। কোৱা বাহুল্য তাৰ কাৰণ মেধাৰ দুৰ্বলতা নহয়, আৰ্থ-সামাজিক স্থবিৰতাহে। এক স্থবিৰ সমাজ-ব্যৱস্থাৰ পৰা লাভৱান হোৱা এচাম লোক চিন্তা বা বিদ্যাৰ জগততো কৰ্তৃত্বশালী হৈ থকাত নতুন প্ৰশ্ন আৰু চিন্তাৰ দুৱাৰ প্ৰায় বন্ধ। বৰং অতীতৰ গৱেষণা আৰু পাণ্ডিত্যৰ সৃষ্টি বৰ্তমানৰ অনুপযোগী ধ্যান-ধাৰণা কেতবোৰকে সমল হিচাপে লৈ বিস্তৰ কিতাপ-পত্ৰ, প্ৰবন্ধ-পাতি লিখা হৈ আছে। কেতবোৰ বিষয়ৰ পৰিসীমা অতিক্ৰম নকৰা বাবেও এনে এক ঘটনা ঘটিছে, বিভিন্ন বিষয়ৰ সমলৰ উপযুক্ত সমন্বয় সাধন কৰি চিন্তাৰ প্ৰচলিত ধ্যান-ধাৰণাৰ যে পৰিৱৰ্তন ঘটাব পাৰি, তাৰ কোনো বলিষ্ঠ নিদৰ্শন দেখা নাযায় বুলিলেও অত্যুক্তি নহয়।

আমি উদাহৰণ হিচাপে অসমৰ নৱজাগৰণৰ পথিকৃৎ আমাৰ অন্যতম প্ৰাতঃস্মৰণীয় সাংস্কৃতিক সেনাপতি আনন্দৰাম ঢেকিয়াল ফুকনৰ কথাকে ধৰিছোঁ। অৰ্দ্ধমৃত জাতি এটাৰ প্ৰাণত প্ৰেৰণা সঞ্চাৰ কৰিবলৈ তেওঁলৈকে উভতি চাইছিল বেজবৰুৱাই—

সিদিনা তোমাৰ ঢেকিয়াল ফুকনে ঊনত্ৰিশ বছৰীয়া ডেকা,
অসমৰ হকে কি খিনি কৰিলে
কি কীৰ্ত্তি ৰাখিলে লেখা। (অসম সংগীত)

বিচক্ষণ ব্ৰিটিছ প্ৰশাসক কেপ্টেইন জেন্‌কিন্সে অভিমত দিছিল যে অসমত ঢেকিয়াল ফুকনৰ অৱদান বংগদেশত ৰামমোহন ৰায়ৰ লগত তুলনীয়। কিন্তু অসমৰ অতিশয় পশ্চাৎপদ অৱস্থা আৰু ফুকনৰ বয়স বিবেচনা কৰি চালে তেওঁৰ কৃতিত্ব অধিক মহৎ যেন লাগে। জেন্‌কিন্সৰ কথাৰ অন্যতম প্ৰমাণ স্বৰূপে উল্লেখ কৰিব পাৰি যে ফুকনে অতি প্ৰাঞ্জল বাংলা ভাষাত লিখা 'আইন ও ব্যৱস্থা সংগ্ৰহ' কিতাপত দেৱানী আইনৰ সুন্দৰ ব্যাখ্যাই কলিকতাৰ শিক্ষিত সমাজৰ এক ডাঙৰ অভাৱ পূৰণ কৰিছিল। গুণাভিৰামে কৈছে ঃ 'বঙ্গলা বা দেশীয় ভাষাত এই পুস্তকেই ব্যৱস্থা ঘটিত প্ৰথম পুস্তক। ....ইয়াৰ পৰা সাধাৰণৰ বৰ উপকাৰ হ'ল।' এনে এটা কামৰ বাবে যে যথেষ্ট মেধাৰ লগতে আত্মপ্ৰত্যয় আৰু সমাজচেতনা দৰকাৰ, নক'লেও চলে।

**(আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ**, অসম প্ৰকাশন পৰিষদ, ১৯৭১) পৃঃ ১৩১

কিন্তু ব্ৰিটিছ প্ৰৱৰ্তিত ঔপনিৱেশিক পৰিৱেশত মানসিক পৰিপুষ্টি লাভ কৰা ঢেকিয়াল ফুকনক আমি চৰ্তহীনভাৱে আমাৰ ভৱিষ্যৎ প্ৰগতি আৰু বিকাশৰ অগ্ৰনায়ক বুলি আজিও ধৰিব পাৰোঁনে? নে সেই নৱজাগৰণৰ স্বাভাৱিক অন্তৰ্নিহিত স্ব-বিৰোধক মুকলি মনেৰে স্বীকৃতি দি তাক মনোযোগেৰে অধ্যয়ন কৰি ভৱিষ্যতৰ পথ অধিক স্পষ্ট আৰু পৰিষ্কাৰ কৰি ল'ব পাৰোঁ? ব্ৰিটিছে ভাৰতত যি নতুন সমাজ ব্যৱস্থা তথা শাসন-ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল, ফুকনে তাৰ বিৰুদ্ধাচৰণ কৰাৰ প্ৰশ্ন নাছিল, বৰং তেওঁ যে তাক ঐকান্তিক সেৱাৰে সবল কৰিছিল উক্ত কিতাপখনৰ ৰচনা তাৰ অন্যতম প্ৰমাণ। সেইদৰে চিপাহী বিদ্ৰোহ নামে অভিহিত ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ সময়ত দেশীয় মানুহৰ প্ৰতি চাহাববিলাকৰ অবিশ্বাসত ফুকন 'বৰ দুখিত আৰু চিন্তিত হ'ল। তেওঁ চাহাবসকললৈ লিখিলে যে অসমীয়া মানুহৰপৰা গৱৰ্ণমেণ্টৰ প্ৰতি কোনো প্ৰকাৰ বিদ্ৰোহিতা হ'ব নোৱাৰে।' (ঐ, পৃঃ ১৩৬) তথাপি বিদ্ৰোহীসকলৰ প্ৰতি গোপন সহানুভূতি থকাৰ অপবাদ তেওঁ আকৌ এবাৰ খণ্ডন কৰিবলগীয়া হৈছিল। (পৃঃ ১৪১-১৪২)

চিপাহী বিদ্ৰোহৰ প্ৰতি কলিকতাৰ নৱশিক্ষিত বঙালী তথা ভাৰতীয় ভদ্ৰলোকসকলৰ কোনো আকৰ্ষণ বা সহানুভূতি নাছিল। তেওঁলোকে ব্ৰিটিছ শাসনৰ পৰাহে ভাৰতৰ ভৱিষ্যৎ প্ৰগতি আশা কৰিছিল। বৈষয়িক স্বাৰ্থই কোম্পানীৰ শাসনৰ লগত তেওঁলোকক জড়িত কৰাৰ উপৰি কলিকতাৰ নতুন পাশ্চাত্যপ্ৰভাৱিত সংস্কৃতিত তেওঁলোক অধিক অনুৰক্ত আছিল। ফুকনৰ মনোজগৎ গঢ়াত কলিকতাৰ এই নতুন নাগৰিক কৃষ্টিয়ে বিশেষ সহায় কৰিছিল।

ফুকনে যি হিন্দু কলেজত শিক্ষা লাভ কৰিছিল, সি ব্ৰিটিছ চৰকাৰে ভাৰতত কোনো সুনিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰাৰ প্ৰায় দুইদশক পূৰ্বে ১৮১৮ চনত ভাৰতৰ দেশীয় লোকসকলৰ উদ্যোগতে প্ৰতিষ্ঠিত হৈছিল। তাৰ জন্মত আৰু পৰিচালনাত ৰামকমল সেন, গোপী মোহন দেৱ, ৰাধাকান্ত দেৱ আদি শিক্ষিত বঙালীসকলৰ আৰু ঘড়ীৰ ব্যৱসায়ী প্ৰবাসী ব্ৰিটিছ যুক্তিবাদী ডে'ভিড্ হেয়াৰৰহে ভূমিকা আছিল সৰ্বাগ্ৰগণ্য। নৱশিক্ষিত ভাৰতীয়ৰ মন পশ্চিমীয়া শিক্ষা-দীক্ষাৰে সমৃদ্ধ কৰাত ডিৰ 'জিয়', কেপ্তেইন ৰিচাৰ্ড্ছন্ প্ৰমুখ্যে শিক্ষাবিদসকলৰ অৱদান উল্লেখযোগ্য আছিল। পিছলৈ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে সংস্কৃত কলেজত পুৰণা সংস্কৃত শাস্ত্ৰ আৰু বিদ্যাৰ সমান্তৰালভাৱে পাশ্চাত্য জ্ঞান-বিজ্ঞানৰ শিক্ষা দিওৱাৰ ব্যৱস্থা কৰিছিল। সকলোৰে মনত এনে ভাব আহিছিল যে ভাৰত তথা বংগৰ ইতিহাসত এক নৱজাগৰণৰ অধ্যায়ৰ সূচনা হৈছে।

এই নৱজাগাৰণৰ চৰিত্ৰ কি হ'ব, তাকে লৈ শাসক শ্ৰেণী আৰু ভাৰতীয় সমাজত তীব্ৰ বিতৰ্ক চলিছিল। শাসক শ্ৰেণীৰ প্ৰভাৱশালী অংশই তাক পাশ্চাত্যকৰণ বা WESTERNISATIONৰ ৰূপ দিবলৈ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে লৰ্ড্ মেক'লেই তেওঁৰ বিখ্যাত শিক্ষাসম্বন্ধীয় টোকা বা Minuteত কৈছিল—

'মধ্যযুগৰ পৰৱৰ্তী কালত ইউৰোপৰ নৱজাগৰণত গ্ৰীক আৰু লাতিন ভাষাৰ যি স্থান, মই ভাবোঁ ভাৰততো ইংৰাজী ভাষাই দেশীয় লোকসকলক অচেতন অৱস্থাৰ পৰা উদ্ধাৰ কৰাত সেই ভূমিকাই ল'ব।' (১৮৩৫ৰ Minuteৰ ভাবানুবাদ) আচৰিত নহয় যে প্ৰাচীন ভাৰতৰ হাজাৰ-হাজাৰ বছৰৰ জ্ঞান-বিজ্ঞানৰ চৰ্চাক মেক'লেই আৱৰ্জনাসদৃশ জ্ঞান কৰিছিল। ভাৰতীয় শিক্ষিতসকলৰ মনোভাৱ তেনেধৰণৰ হোৱা সম্ভৱ নহয়। কিন্তু নিঃসন্দেহে তেওঁলোকৰ তুলাচনীতো ভাৰতীয় পৰম্পৰাগত জ্ঞান-বিজ্ঞানৰ ওজন পাতল আছিল।

গুণাভিৰাম বৰুৱাই তেওঁৰ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনচৰিত' গ্ৰন্থত কৈছে—

'মাৰ্চ মাহৰ ৯ তাৰিখে পিটাৰ দি গ্ৰেট নামে ৰুচিয়া দেশৰ এজনা ৰজাৰ জীৱন চৰিত্ৰ পঢ়ি তেওঁৰ মহাচিন্তা হ'ল। সেইজনা ৰজাই যেনেৰূপে তেওঁৰ দেশৰ মঙ্গলৰ নিমিত্তে যত্ন কৰি কৃতকাৰ্য হ'ল তাক তেওঁ মনত বৰকৈ গুণিলে। সেইদিনাই তেওঁ অসম দেশৰ উন্নতিৰ বিষয়ে আৰু চেষ্টা কৰিবলৈ প্ৰতিজ্ঞা কৰিলে।' (পৃঃ ১০১)

উল্লেখ কৰা ভাল যে সপ্তদশ শতাব্দীলৈকে প্ৰাচ্য সংস্কৃতিৰ অন্তৰ্ভুক্ত বুলি

পৰিগণিত হোৱা ৰুচিয়াক পাশ্চাত্যৰ জ্ঞান-বিজ্ঞানৰ প্ৰচলনেৰে জাগ্ৰত আৰু উন্নত কৰাই পিটাৰ দি গ্ৰেটৰ (১৬৭২-১৭৩০) সপোন আছিল।

ঊনবিংশ শতিকাৰ আন এজন শালপ্ৰাংশু অসমীয়া আছিল মণিৰাম দেৱান। ঐতিহাসিক হেৰম্বকান্ত বৰপূজাৰী দেৱে Assam in the Days of the Companyত দেখুৱাইছে যে শিক্ষিত অসমীয়া সমাজে দেৱান আৰু ঢেকিয়াল ফুকন দুইজনৰ ভিতৰত ঢেকিয়াল ফুকনৰ আদৰ্শহে অনুসৰণ কৰিবলৈ উদ্যোগী হ'ল। কোম্পানীৰ পৰিদৰ্শক হিচাপে অহা A. J. Moffat Mills -এ তেওঁৰ প্ৰতিবেদনত ঢেকিয়াল ফুকনৰ স্মাৰকপত্ৰৰ প্ৰশংসা কৰিছিল আৰু দেৱানৰ বিষয়ে 'গণ্ডগোলীয়া মানুহ' বুলি মন্তব্য কৰিছিল। কাৰণ বিচাৰি দূৰলৈ যাব নালাগে। ঢেকিয়াল ফুকন ঔপনিৱেশিক প্ৰশাসনৰ বেতনভোগী বিষয়া আছিল। আনহাতে দেৱানে জিলা-কাছাৰী পাতি ব্ৰিটিছে দেশদস্তুৰৰ বিপৰীত আইনেৰে নিৰীহ মানুহক হাৰাশাস্তি কৰাৰ অভিযোগ কৰিছে তেওঁৰ স্মাৰক পত্ৰত। (বেণুধৰ শৰ্মা, মণিৰাম দেৱান, ১৯৫০, পৃঃ ১৩২) তেওঁ কৰ-কাটল আৰু খাজনাৰে অসমীয়া মানুহৰ শ্ৰীহানি ঘটোৱা বুলিও কৈছে। (পৃঃ ১৩৩-১৩৪) যদিও ডাক ব্যৱস্থা, পঢ়াশালি পতা, বন্দীবেটি বিলাকক মুকলি কৰি দিয়া আদি ব্যৱস্থাক অভিনন্দন জনাইছে, তেওঁ আটাইবোৰ জাতক একাকাৰ কৰা, শিষ্যসকলৰ ওপৰত পুৰোহিতৰ প্ৰভাৱ লোপ কৰা, ডা-ডাঙৰীয়াসকলৰ জীৱিকাৰ বাট বন্ধ কৰা, ব্যাকৰণ-জ্যোতিষ-গীতা-ভাগৱতৰ চৰ্চা আদিত উৎসাহ নিদিয়া আদি কথাত তেওঁ চৰকাৰৰ জগৰ ধৰিছে। (পৃঃ ১৪৩-১৫৫) আটাইতকৈ গুৰুতৰ কথা এয়ে যে কৰ্ণেল জেনকিন্স আদিৰ সহায়ত যেতিয়া ঢেকিয়াল ফুকনে ব্যক্তিগত জীৱনত উন্নতি কৰিছিল, দেৱানে তেতিয়া পল্টনীয়া চাহাব বা সামৰিক লোকৰ হতুৱাই অসম শাসন কৰা কথাটোকেই ক্ষতিকৰ বুলি যুক্তি দৰ্শাইছে। (পৃঃ ১৩২) স্পষ্টকৈ দেৱানৰ মনত কলিকতাত আৰম্ভ হোৱা নৱজাগৰণৰ আদৰ্শগত প্ৰভাৱ সীমিত।

কলিকতাৰ ভাৰতীয় নৱজাগৃতিৰ অগ্ৰনায়কসকল যেনে ৰাজা ৰাধাকান্ত দেৱ, দেবেন্দ্ৰ নাথ ঠাকুৰ, প্ৰসন্ন কুমাৰ ঠাকুৰ, মতিলাল শীল, প্যাৰিচাঁদ মিত্ৰ আদিৰ ঘৰলৈ ফুকন গৈছিল আৰু সিসকলৰ স্নেহভাজন হৈছিল। (পৃঃ ১০০) তেওঁ কেতিয়াবা ব্ৰাহ্ম সমাজৰ উপাসনা চাবলৈ গৈছিল (পৃঃ ১০০) আৰু বেথুন সভা নামৰ বিদ্বৎ সমাজৰ আলোচনাত যোগ দিছিল (পৃঃ ৯৪-৯৫)। অৰ্থাৎ কেৱল পাঠ্যপুথিত নিমগ্ন নাথাকি ফুকনে কলিকতাত ঠন ধৰি উঠা নৱজাগৰণৰ সংস্কৃতিৰ সোৱাদ লৈছিল; আৰু পিছলৈও তাৰ লগত যোগাযোগ ৰাখিছিল।

ABILACৰ তৰফৰপৰা তেওঁৰদ্বাৰা ৰচিত 'অসমীয়া লৰাৰ মিত্ৰ'ৰ সম্পাদনাত সম্পাদক যোগেন্দ্ৰ নাথ ভূএগদেৱে পৰিপাটি তথ্যনিষ্ঠা আৰু বিদ্যাচৰ্চাৰ পদ্ধতিগত শৃংখলা প্ৰদৰ্শন কৰিছে। কিন্তু দুৰ্ভাগ্যবশতঃ তাৰ চিন্তামূলক দিশৰ পটভূমিৰ প্ৰতি কোনো মনোযোগ দিয়া নাই। বাস্তৱিকতে এই কিতাপখনৰ বহু পাঠ ফুকনৰ মৌলিক ৰচনাই নহয়। গুণাভিৰামে চমুকৈ কৈছে, "নানা উপদেশ-গৰ্ভ ইংৰাজী প্ৰস্তাৱৰ পৰা সংগ্ৰহ কৰি 'অসমীয়া লৰাৰ মিত্ৰ' নামে দুই কাণ্ড পুস্তক ফুকনে অসমীয়াত প্ৰচাৰ কৰিছিল।" (পৃঃ ৬২)। ফুকনে কিতাপখনত প্ৰণেতা হিচাপে কিয় নাম দিয়া নাছিল তাকে লৈ এতিয়াও বিতৰ্ক আছে। অন্যতম কাৰণ নিশ্চয় এয়ে যে বেছিভাগ পাঠ ইংৰাজীৰ পৰা অনুবাদ বা তেনে ইংৰাজী পাঠৰ সাৰাংশ। (উদাহৰণ ঃ 'জ্ঞানৰ পুত্ৰ অৰ্থাৎ মনুষ্য' নামৰ এটি পাঠ)।

'হে জ্ঞানৰ পুত্ৰ ক'ৰ পৰা আহিলা? তোমাৰ চকুৱে কি দেখিলে আৰু তোমাৰ ভৰি কোন পিনলৈ গৈছিল?

মৱ পথাৰৰ মাজে মাজে ফুৰিচিলোঁ, জন্তুবোৰ মোৰ চাৰিওফালে ফুৰিচিল, আৰু কেতবোৰ গচৰ তলত জিৰাইচিল, আৰু পথাৰবোৰ শৰৎ কালত ৰূপে জিলিকিচিল। তুমি তাতকৈ আন একো নেদেখিলানে? হে জ্ঞানৰ পুত্ৰ, পালটা; কিয়নো এইবোৰতকৈ ডাঙৰ বস্তু আছে, ঈশ্বৰ পথাৰতে আচিল, তুমি তেওঁক নেদিখিলানে?' (অ.ল.মি. পৃঃ ৯৮-৯৯) বাইবেলৰ গদ্যৰ Chambers' Biographical Dictionary আদি তেতিয়াৰ শিক্ষাবিদসকলৰ মাজত জনপ্ৰিয় কিতাপ আছিল পাঠবোৰৰ অধিকাংশৰ উৎস। বিতং তথ্যৰ উদ্ধাৰ গৱেষণাসাপেক্ষ।

তাৰোপৰি তাহানিৰ ভাৰতীয় নৱজাগৰণৰ ব্ৰিটিছ উৎসাহ দাতাসকলক অনুসৰণ কৰি জ্ঞান-বিজ্ঞানৰ স্পৰ্শৰে মোহনিদ্ৰাৰপৰা জাগ্ৰত হৈ সভ্যতাৰ অনুশীলনত আগবঢ়াই ভাৰতবাসীৰ বাবে মানৱজীৱনৰ শ্ৰেষ্ঠ লক্ষ্য লোৱা উচিত এনে ধাৰণাকে পাঠ্যপুথিখনৰ কেন্দ্ৰত অধিষ্ঠিত কৰা হৈছিল। এপিনে নৈতিক সংযম আৰু সাধুতাৰ শিক্ষা, পৰোপকাৰৰ অনুশীলন, আৰু আনপিনে বৈষয়িক উন্নতি তথা বিজ্ঞানৰ চৰ্চা— এই দুই দিশেৰে আগবাঢ়ি মানুহ সভ্যতাৰ লক্ষ্যস্থানত উপনীত হ'ব পাৰে। ভাৰতীয়য়ো পাৰিব। এনে মনোভাবকে জাতীয় জাগৰণৰ প্ৰেৰণা কৰিবলৈ বিচৰা হৈছিল। অসমৰ ক্ষেত্ৰত আনন্দৰামে নিজৰ কৰ্মজীৱনত এই বিদ্যাশিক্ষাৰ সামাজিক সুফল প্ৰমাণিত কৰিব পাৰিছিল বুলি ভবাৰ থল আছে। তেওঁ নগাঁৱৰ জুনিয়ৰ এছিষ্টেণ্ট কলেক্টৰ হৈ থকা কালত কলং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ বিশফুট মাটি কটাই দি খৰালিও কলঙত পানী থকাৰ ব্যৱস্থা কৰিলে আৰু বহু ঠাইত জান বন্ধাই বানপানীৰ উপদ্ৰৱৰ পৰা

প্ৰজাক ৰক্ষা কৰিলে। (৫ম আৰু ৬ষ্ঠ অধ্যায় গুণাভিৰামৰ উল্লিখিত গ্ৰন্থ।) এই কাম তেওঁ আধুনিক শিক্ষাৰ জৰিয়তে পোৱা সভ্যতাৰ আদৰ্শ হৃদিস্থিত কৰিয়ে কৰিছিল।

কিন্তু ফুকনৰ জনহিতকৰ কামৰ ভিতৰত বোধহয় সৰ্বশ্ৰেষ্ঠ হৈছে অসমীয়া ভাষাক অসমত চৰকাৰী ভাষাৰূপে প্ৰতিষ্ঠা কৰাত তেওঁৰ ভূমিকা। তেওঁ নিজে ইংৰাজী ভাষাত এই বিষয়ে ৪০ টকা দি কিতাপ এখন ছপাই ("A Few Remarks on the Assamese Language" and on "Vernacular education") দেশৰ প্ৰধান প্ৰধান দেশীয় লোকসকলক দিয়াৰ উপৰি কলিকতা কোম্পানীৰ প্ৰধান কাৰ্যালয় তথা ভাৰত চৰকাৰলৈ পঠাইছিল। (গুণাভিৰাম, পৃঃ ১২৯)। মিল্‌চ চাহাবক তেওঁ দিয়া স্মাৰকপত্ৰই এই বিষয়টো সম্পৰ্কে কোম্পানীৰ পৰিদৰ্শক ৰূপে অহা মফাট্ মিলছ্ চাহাবৰ মতামতো প্ৰভাৱিত কৰিছিল। (পৃঃ ১১৯)। মিছনাৰীসকলৰ অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠা কৰা আন্দোলনত ফুকনৰ ঐকান্তিক সমৰ্থন আৰু সহযোগিতা আছিল। (পৃঃ ১২৭)

এইবোৰ সুকৃতিক ঔপনিবেশিক ব্যৱস্থা তথা পৰিৱেশৰ অন্তৰ্গত বোলাৰ যথাৰ্থতা আছেনে? কোম্পানীৰ শাসনৰ চাব এচিষ্টেণ্ট্ পদত ফুকন নিযুক্ত হ'বৰ সময়ত অসমৰ প্ৰশাসক জেন্‌কিন্সে তেওঁক অভিনন্দন জনাইছিল। কৰ্ণেল মেথিয়ে স্পষ্টকৈ লিখিছিল ঃ 'দেখা! তুমি যদি কৰ্ণেল জেন্‌কিন্স আৰু মোৰ পৰামৰ্শ শুনি কলিকতালৈ নগলাহেঁতেন, তাত ভালকৈ নপঢ়িলাহেঁতেন, তুমি সমূদায় জীৱন দৰিদ্ৰ আৰু সম্ভ্ৰমহীন হ'লাহেঁতেন। এতিয়া তুমি অসমদেশত কাম কৰা বঙ্গালী আৰু অসমীয়া সকলোতকৈ ডাঙৰ বিষয় পাইছা আৰু ইমান উচ্চ বেতন পোৱা আৰু ডাঙৰ বিষয় পোৱা তুমিয়েই প্ৰথম। তুমি যে জেন্‌কিন্স চাহাবৰ অনুগ্ৰহ বুজিব পাৰিছা ইয়াক তোমাৰ চৰিত্ৰ আৰু বৈষয়িক কাৰ্যৰ দ্বাৰা দেখুৱাবা আৰু গৱৰ্ণমেণ্টৰ প্ৰতি কৃতজ্ঞ হবা' ফুকনে চিঠিৰ উত্তৰত মেথি চাহাবলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছিল। (ঐ, পৃঃ ১১১-১১২)

অৰ্থাৎ ঔপনিৱেশিক চৰকাৰৰ বিশ্বস্ত বিষয়া ৰূপেই ফুকনে এইবোৰ কাম কৰিছিল। সিদ্ধান্তবোৰ তেওঁৰ নিজা আছিল, কিন্তু তাক কাৰ্যকৰী কৰাৰ ক্ষমতা পাইছিল ঔপনিৱেশিক চৰকাৰৰপৰা। কিন্তু এই সেৱা আগবঢ়োৱাৰ সময়ত তেওঁ কোনো বাধ্যবাধকতা অনুভৱ কৰা নাছিল। ইংলেণ্ডৰ এই দৈৱ নিৰ্ধাৰিত ভূমিকা সম্পৰ্কে ফুকনে 'অসমীয়া লৰাৰ মিত্ৰ'ত লিখিলে ঃ

'এনেকৈ কালক্ৰমে প্ৰায় গোটেইখন ভাৰতবৰ্ষই এতিয়া কম্পানিৰ অধিকাৰ

হৈছে, আৰু দেশাধিপতি হৈ প্ৰজাৰ সুখ বঢ়াবলৈহে পুৰুষাৰ্থ কৰিছে; তাৰে পৰা জনা যায় যে এই দেশৰ কুশললৈকেহে ঈশ্বৰে ইবিলাকক দেশৰ অধিপতি কৰিছে।' (পৃঃ ১৪৮)

× × × ×

'অসম দেশ মানৰ অধিকাৰত মহা দুৰ্গতিত পৰি অৰাজক প্ৰায় হ'ল কিন্তু এতিয়া ইংলেণ্ডীয়াধিকাৰ হোৱাত ক্ৰমে উন্নতি হব লাগিছে আৰু কিছু কালৰ মূৰত আকৌ পূৰ্ব্বৰ দৰে হব। আৰু লোক সভ্য আৰু সুখী হব। এতেকে ঈশ্বৰে আমাৰ দেশৰ ভাললৈহে ইংৰাজক অধিপতি কৰিছে।' (পৃঃ ১৫৭-১৫৮)

ইংৰাজ অধিকাৰৰ মহত্তম সুফল ফুকনৰ মতে এই সভ্যতা বিস্তাৰ। কিন্তু এই সভ্যতাৰ জোখত যদিও বিভিন্ন জাতি বা দেশ বিভিন্ন স্তৰত আছে, তথাপি সকলো জাতিৰে সভ্যতাৰ শীৰ্ষতম সোপানত আৰোহণ কৰাৰ ক্ষমতা আছে। অৰ্থাৎ ফুকনে এই পাঠ্যপুথিৰ জৰিয়তে পশ্চিমৰ প্ৰগতি বা PROGRESSৰ ধাৰণা তথা লক্ষ্য অসমীয়া সমাজত বিয়পাই দিবলৈ বিচাৰিছিল। তেওঁ ইংৰাজবিলাকৰ অতীত আৰু বৰ্তমান ৰিজাই কৈছে ঃ

'এতিয়া যেনে কেতবোৰ অসভ্য জাতি আছে ইংৰাজ হতো পূৰ্বে তেনে কুব্যৱহাৰী আৰু অসৎ আছিল, কিন্তু কালক্ৰমে এতিয়া সিহঁত জ্ঞানত সম্পন্ন হৈছে, বাণিজ্যত এটাইতকৈ প্ৰধান, শিল্পকৰ্মত অদ্বিতীয়, আৰু সকলো বিধৰ বিদ্যা আৰু জ্ঞানত শ্ৰেষ্ঠ আৰু সিহঁতৰ বিদ্যাৰ অক্ষয় ভঁৰালৰ পৰা পৃথিবীৰ সকলো ঠাইলৈকে বিদ্যা আৰু জ্ঞান পঠিয়াইছে। এতেকে এই দেশতো জ্ঞানোদয় হোৱা বৰ অসাধ্য নহয়, কিয়নো যি উপায়েৰে অতি অসভ্যতাৰ পৰা ইংৰাজহঁত উঠি সভ্য হৈছে আৰু দেশৰো সেই উপায় আছে।' (পৃঃ ১১৭)

অসম তথা ভাৰতৰ অতীত সম্পৰ্কে ফুকনৰ এই পাঠ্যপুথিত বিশেষ প্ৰশংসা নাই। তাৰ পৰা ধাৰণা হয় যে লোকাচাৰ আৰু ধৰ্মীয় পৰম্পৰাক অগ্ৰাহ্য নকৰিলেও ঢেকিয়াল ফুকন পছিমীয়া সভ্যতাৰ জ্ঞান-বিজ্ঞানৰ প্ৰতিহে আকৃষ্ট হৈছিল। অৰ্থাৎ কোম্পানীৰ আমোলত আধুনিকতাৰ যি ৰূপ আছিল মানসিকভাৱে ফুকন তাৰ প্ৰতি অধিক অনুৰক্ত আছিল। আধুনিক বিজ্ঞানৰ কেতবোৰ চমকপ্ৰদ আৱিষ্কাৰ আৰু উদ্ভাৱনৰ বিৱৰণ দি তেওঁ কৈছে ঃ

'হে প্ৰিয় লৰাবিলাক, এই যন্ত্ৰবোৰৰ কথা যে কলোঁ ই কেৱল ইংলণ্ড, আমেৰিকা আৰু ইউৰোপতহে আছে, আসিয়া খণ্ডত যতে আমাৰ দেশ, তাত নাই; সেই নিমিত্তে গমি চাবা; আমাৰ দেশক কেনেকৈ সভ্য বোলা জায়।' (পৃঃ ১৩৫)

সভ্য হোৱাৰ উপায় শিক্ষা। সেয়ে ফুকনে 'কলিকতা নগৰৰ বিৱৰণ' পাঠত কৈছে ঃ

'কলিকাতাৰ সিপাৰে বিচপৰ কলেজ নামৰ এখন প্ৰধান পঢ়াশালি আচে আৰু নগৰতো হিন্দু কলেজ সংস্কৃত কলেজ হাইস্কুল ইত্যাদি অনেক পঢ়াশালি আচে, তাৰ দ্বাৰা কলিকতাবাসী ভালেমান বঙ্গালিয়ে বিদ্যা শিকি সভ্য হব লাগিচে আৰু আমি ভৰসা কৰোঁ যে অলপ কালৰ মূৰতে কলিকতাৰ লোক সকলো সভ্যতাত ইউৰোপৰ মানুহ বিলাকৰ সমান হব।' (পৃঃ ১৩৮)

যদিও এনে কিছুমান স্বৰচিত পাঠত ঢেকিয়াল ফুকনৰ ব্যক্তিগত আন্তৰিক আবেগ আৰু আদৰ্শনিষ্ঠা প্ৰকাশ পাইছে, ভাবৰ পিনৰ পৰা তেওঁ মতত বিশেষ মৌলিকতা নাই। ১৮৪৯ চনৰ ফ্ৰেব্ৰুৱাৰী সংখ্যা 'অৰুনোদই'ত 'অঁকাৰ বিৱৰণ' নামৰ নিবন্ধত লিখিছে ঃ 'কিন্তু এটা কথালৈ মনত পৰিলে আমি আৰু আচৰিত হওঁ; কিয়নো দেখা, যি ইংৰাজ জাতি এতিয়া ইমান পৰাক্ৰমি আৰু সভ্য হৈচে, জিবিলাকে ভাপৰ বলত বৰ ঘৰ একোটা বামে আৰু পানিএ চলাই দহদিনৰ বাট একে দিনে জাই.... জিবিলাকে গোটেই প্ৰিথিবি ঘূৰি আটাই দেসৰ বাত্ৰা হাতৰ মুঠিতে থই, আৰু জিবিলাকে হেজাৰ হেজাৰ ক্ৰোচৰ আঁতৰৰ পৰা এই দেসলৈ আহি তাৰ লোকক সভ্য কৰিব ধৰিচে, সিবিলাকেই দুহেজাৰ বছৰৰ পুৰ্বে ৰিতিএ চৰিত্ৰে আৰু সভ্যতাত নিচইকৈ নগা আৰু আবৰতকৈ বেয়া আচিল। দেখা, পৰম ইস্বৰৰ কি আচৰ্জ মহিমা! আৰু মানুহৰ গিয়ান বা কালক্ৰমে কিমান ভাল হব পাৰে! এতেকে আমি নৈৰাস নহওঁ যে জে কোনোবা দিনা আমাৰ নগাহঁতৰ মাজতো ভাপৰ জন্ত্ৰ হব, আৰু সিহঁতেও গিয়ান আৰু সভ্যতাত ইংৰাজহঁতে সৈতে জুজিব।' (পৃঃ ১৪০, ফেব্ৰু ১৮৪৯ অৰুণোদই, প্ৰকাশন পৰিষদ)

আমেৰিকালৈ যোৱা দুজন খৃষ্টান অসমীয়া ডেকা সিৱৰাম আৰু ধনিৰামে তেনে সুৰতে ১৮৪৯ চনৰ আগষ্ট মাহত 'অৰুণোদই'ৰ পৃষ্ঠাত অসমীয়া মানুহক সম্বোধন কৰি কৈছে ঃ

"দেখা, পৰম ইস্বৰে জদি কম্পানিৰ আমোল সদাই কুসলে ৰাখে, তেন্তে এতিয়া জেনেকৈ দুখিয়া আৰু অগিয়ানি বোৰক মৰম কৰি দেসবোৰৰ ঠায়ে ঠায়ে স্কুল পাতি অনেক টকা খৰচ কৰি বিনা মোলে বিদ্যা সিকাইচে.... সেইৰূপে দেসবোৰলৈকো অহা জোআ কৰিবলৈ নিসংশই হব, আৰু আন দেসবোৰ জেনেকুআ গিয়ানি আৰু স্বৰূপ ধৰম পোআ হৈচে সেই ৰূপে এই সকল দেসো ভাল হ'ব।....

কিন্তু এতিয়া ইস্বৰে পহৰ বাকিচে, আৰু আমালৈ দায়া কৰি গিয়ানি দেশাধিকাৰ

বিলাক দিচে। এই নিমিতে মানুহৰ আগৰ বৰ এন্ধাৰবোৰ লাহে লাহে গুচি আহিচে আৰু মনো মুকলি হৈ গৈচে।...." (আগষ্ট, ১৮৪৯ অৰুণোদই, পৃঃ ৬৪)

অৰ্থাৎ সমসাময়িক খৃষ্টান মিছনেৰিসকলকে ধৰি সেইকালৰ অসমৰ প্ৰভাৱশালী পছিমীয়া চামটোৰ ভাবাদৰ্শৰ অন্যতম উপাদান আছিল পছিমীয়া সভ্যতা বিস্তাৰৰ এই আদৰ্শ। এই সভ্যতাৰ উপায় আছিল বিদ্যাশিক্ষা আৰু কেতবোৰ মানসিক অভ্যাসৰ অনুশীলন— যেনে উদ্যোগ (industry) শ্ৰমশীলতা, সময়নিষ্ঠা। ঢেকিয়াল ফুকনে যুগুতোৱা পাঠৰ পৰা এই নীতি আৰু আদৰ্শৰ প্ৰচুৰ পুনৰুক্তিৰ উদাহৰণ দাঙি ধৰিব পাৰি।

যেনে ঃ

"বিদ্যাৰ দ্বাৰা মনুষ্যৰ মন পোহৰ হয়, কিয়নো নানা শাস্ত্ৰ পঢ়িলে নানা কথা জনা জায়, বিদ্যা জানিলে এই পৃথিবী কেনে ইয়াত কি কি আচে আৰু আকাশ নক্ষত্ৰ প্ৰভৃতি নো কেনে এই সকল সুন্দৰে জানি, কিন্তু যাৰ বিদ্যা নাই সি এই সকল একোকে নেজানে আৰু তাৰ মন গোটেই এন্ধাৰ হৈ থাকে।....

....যদি বোলা বিদ্যাই কেনেকৈ পৰকালত সুখী কৰিব তেন্তে ভাঙ্গি কওঁ শুনা। বিদ্যা শিকিলে জ্ঞান হয়, আৰু জ্ঞান হলে ঈশ্বৰক জনা জায় আৰু কি ভাল, কি বেয়া, কি কৰ্তব্য, কি অকৰ্তব্য তাৰো বোধ হয়।" (পৃঃ ১-২)

\+ + +

এতিয়া যদি বিদ্যা উপাৰ্জন কৰিবৰ কি উপায় সোধা তেন্তে শুনা। শ্ৰম আৰু মনোযোগ, এই দুয়েই ঘাই উপায়। মন দি শ্ৰম কৰিলে নিশ্চয়কৈ বিদ্যা হয়। (পৃঃ ৩)

\+ + +

তুমি এডাঁৰৰ ভিতৰত কি হয় নাজানা, এতেকে এক মুহূৰ্তক কালো এনেই নেখেদাবা।

কাল কালৈকো বাট চাই নাথাকে। (পৃঃ ৫)

\+ + +

তোমাৰ সময় সৎ কৰ্মত ব্যয় কৰিবা। সময় এতিয়া আচে কিন্তু বতাহৰ নিচিনা উৰি শীঘ্ৰে জাবগৈ। (পৃঃ ১৩)

যিবোৰ লৰা ছোৱালীয়ে পুথিত মন দিয়ে সিহঁতে সকলোৱে প্ৰশংসা পাব, কিন্তু যাৰ মন পুথিত নাই সি চেকনিহে পাব। (পৃঃ ১৩)

\+ + +

বিদ্যাত বাজে আন কোনো বস্তুৰ পৰা সকলো ঠাইতে মান্য পোৱা নেজায়, এতেকে সদাই বিদ্যাভ্যাস কৰাহে ভাল। (পৃঃ ১৬)

\+ + +

আলাহ এৰি সদাই পুৰুষাৰ্থ কৰিলে সৰু মানুহেও ডাঙৰ কৰ্ম কৰিব পাৰে আৰু অল্প বুদ্ধিয়কেও পণ্ডিত হব পাৰে। (পৃঃ ১৭)

তুমি যদি যুবা কাল এনেই খেদোৱা তোমালৈ সেই কাল আৰু উভতি নাহে, এতেকে তুমি সময় সৎ কৰ্মত ক্ষেপন কৰিবা। (পৃঃ ২৩)

\+ + +

যিবোৰ দিন গৈচে সি চিৰকাললৈ গৈচে, আৰু যিবোৰ আহিব লগা সিবোৰো কিবা তোমালৈ নাহেই; এতেকে হে মনুষ্য, যি কাল গৈচে তালৈ চিন্তা নকৰি আৰু যি কাল আহিব তাতো আশা নকৰি যি সময় এতিয়া তোমাৰ হাতত আচে, তাৰে মাথোন সদ্ব্যৱহাৰ কৰা। (পৃঃ ৫৭)

× × × ×

যেতিয়া তুমি কোনো পাৰ্গৎ মানুহক দেখা তেতিয়া তুমি তেওঁনো কেনেকৈ কাল ব্যয় কৰিচে তাকে সুধিবা, পিচে তুমি অৱশ্যে জানিবা যে তেওঁৰ জীৱন প্ৰায় শ্ৰমতে গৈচে।" (পৃঃ ৬৬) ইত্যাদি, ইত্যাদি।

শিষ্টাচাৰ, ক্ষমা, সত্যবাদিতা, পিতৃ-মাতৃৰ প্ৰতি ভক্তি, ঈশ্বৰৰ প্ৰতি ভক্তি— এইবোৰ বিষয়েও 'অসমীয়া লৰাৰ মিত্ৰ'ত বহলাই লিখা হৈছে। কিন্তু ওপৰত দিয়া উদ্ধৃতিবোৰে প্ৰমাণ কৰে যে সময়ৰ নিৰলস সদ্ব্যৱহাৰ তথা অধ্যৱসায় আৰু পৰিশ্ৰমৰ প্ৰতি তেওঁ সৰ্বাধিক গুৰুত্ব দিছে। আধুনিক ইউৰোপত পুঁজিবাদৰ ফেঁহুজালিত নিয়মিত কঠোৰ উৎপাদনশীল পৰিশ্ৰম আছিল ঈশ্বৰ ভক্তিৰ এক স্বীকৃত ৰূপ। পিয়ৰিটানসকলৰ এই 'কৰ্মই আমাৰ ধৰ্ম' মন্ত্ৰৰ কথা R.H. Tawneyয়ে তাহানিয়েই Religion and Rise of Capitalism গ্ৰন্থত কৈ গৈছে। ভাৰতত ঊনবিংশ শতিকাৰ প্ৰথম দশক কেইটাত পশ্চিমৰ শিক্ষকসকলে এই পছিমীয়া কৰ্মযোগক শিক্ষাৰ প্ৰধান উপাদান কৰি পেলাইছিল। মনত ৰখা ভাল যে আধুনিক শিক্ষাৰ বিস্তাৰৰ অগ্ৰনায়ক ডে'ভিদ হেয়াৰ আছিল ঘড়ীৰ ব্যৱসায়ী। আৰু ঘড়ীৰ বহুল ব্যৱহাৰ পুঁজিবাদী সময়ানুৱৰ্তিতাৰ লক্ষণ।

'হিন্দু কলেজ' ভাৰতীয় তথা বঙালী ভদ্ৰলোক শ্ৰেণীৰ স্বকীয় উদ্যোগত গঠিত শিক্ষানুষ্ঠান। ১৮২২ চনত মুদ্ৰিত কলেজৰ নিয়মাৱলী অনুযায়ী কলেজ প্ৰতিষ্ঠাৰ উদ্দেশ্য আছিল "to instruct the sons of the Hindoos in the

European and Asiatic languages and sciences." ১৮২৭ আৰু ১৮২৮ৰ কলেজৰ অৱস্থা সম্পৰ্কীয় প্ৰতিবেদনত কোৱা হৈছিল ঃ "The studies in the institutions were Natural and Experimental Philosophy, Chemistry, Mathematics, Tylers Elements of General History, Runell's Modern Europe, with Milton and Shakespeare." মন কৰিবলগীয়া কথা এয়ে যে প্ৰথমাৱস্থাতে সংস্কৃতৰ অধ্যয়ন ছাত্ৰৰ আগ্ৰহৰ অভাৱত বন্ধ কৰি দিয়া হৈছিল। ৰামমোহন ৰায়ে বৰলাট লৰ্ড আমহাৰ্ষ্টলৈ ১৮২৩ চনত দিয়া এখন চিঠিত কৈছিল যে ভাৰতত পছিমীয়া জ্ঞান-বিজ্ঞানৰ শিক্ষা নিদি পুৰণিকলীয়া সংস্কৃত ভাষাৰ শাস্ত্ৰসমূহ পঢ়াই থকাটো হ'ব ইউৰোপত বে'কনৰ বৈজ্ঞানিক চিন্তাৰ ঠাইত মধ্যযুগৰ 'স্কুলমেন' বিলাকৰ অলাগতিয়াল, শব্দ সৰ্বস্ব বিদ্যা শিকাই থকাৰ দৰে। যদি ভাৰতক এন্ধাৰত ৰখাই ব্ৰিটিছ সংসদৰ ইচ্ছা হ'লহেঁতেন, তেনেহ'লে এনে কাম শোভনীয় হ'লহেঁতেন। কিন্তু যিহেতু দেশীয় জনগণৰ উন্নতি সাধনেই চৰকাৰৰ লক্ষ্য, ("But as the improvement of the native population is the object of the government"), সেয়ে গণিত, প্ৰাকৃতিক দৰ্শন অৰ্থাৎ বিজ্ঞান, ৰসায়ন, শৰীৰতত্ত্ব আদি 'প্ৰয়োজনীয় বিদ্যা' (useful sciences)ৰ শিক্ষাদানহে চৰকাৰৰ লক্ষ্য হোৱা উচিত। মেক'লে'ইৰ বিখ্যাত টোকাৰ পৰামৰ্শ অনুযায়ী বৰলাট লৰ্ড বেণ্টিঙকে ১৮৩৫ চনত নিৰ্দেশ দিছিল যে "the great object of the British Government ought to be the promotion of European literature and science among the natives of India." ১৮৫২ চনত ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰে চৰকাৰলৈ পঠোৱা Notes on the Sanscrit Collegeত লিখিছিল যে য়ুৰোপীয় জ্ঞানেৰে পুষ্ট আৰু সমৃদ্ধ আধুনিক বঙালী সাহিত্য সৃষ্টিয়েই বংগদেশৰ শিক্ষা ব্যৱস্থাৰ কৰ্মকৰ্তাসকলৰ উদ্দেশ্য হোৱা উচিত। (বিদ্যাসাগৰ ৰচনা সংগ্ৰহ, সম্পাদক গোপাল হালদাৰ, প্ৰথম খণ্ড, পৃঃ ৪৪৫, কলিকতা, ১৯৭২)। ভাৰতৰ শিক্ষানীতিত দীৰ্ঘস্থায়ী প্ৰভাৱ পেলোৱা Sir Charles Woodৰ ১৮৫৪চনৰ পৰামৰ্শাৱলীৰ মৰ্মও তেনেকুৱাই।

আনন্দৰাম ঢেকিয়াল ফুকনৰ মতামত তাৰ কিছুকাল আগৰ, কিন্তু একেটা চিন্তাধাৰাৰপৰাই তেওঁৰ সেই মতামত আহৃত হৈছিল। সেই চিন্তাধাৰা ঔপনিৱেশিক শাসক শ্ৰেণীৰ চিন্তাধাৰাৰ ওপৰত আধাৰিত। অৱশ্যে উক্ত চিন্তাধাৰা বিভিন্ন উপাদানৰ সমাহাৰ আছিল, আৰু তাৰ ঔপনিৱেশিক আধাৰেই বিভিন্ন উপাদানক এক নিৰ্দিষ্ট ৰূপ আৰু গতিপথ দিছিল। এইখিনিতে মেক'লে'ৰ সিদ্ধান্তৰ ফলত তথাকথিত

Orientalist সকলৰ পৰাজয়ৰ কথা উল্লেখ নকৰি নোৱাৰি। কোন আছিল এই Orientalist সকল?

ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেপাৰীবিলাকৰ পোনতে দেশ শাসনৰ কোনো প্ৰবৃত্তি নাছিল। তেওঁলোকৰ শোষণ-লুণ্ঠন নিৰ্বিঘ্নে চলাবলৈ সেনা বাহিনীৰদ্বাৰা স্থানীয় বাধা-বিঘিনি দমন কৰিছিল। কিন্তু বিভিন্ন কাৰণত বাণিজ্যৰ সুৰক্ষাৰ স্বাৰ্থতে ব্ৰিটিছ চৰকাৰে বেপাৰীবিলাকৰ নিৰ্দয় আৰু নীতিহীন উৎপীড়নত লেকাম লগাই আইনৰ শাসন স্থাপন কৰিবলৈ বাধ্য হ'ল। ১৭৭৩ চনত REGULATING ACT আৰু ১৭৮৪ চনত INDIA ACTৰ জৰিয়তে শাসনৰ এটা ব্যৱস্থা কোম্পানীৰ দখলত থকা ভূখণ্ডত স্থাপন কৰি 'সপৰিষদ বৰলাট'ৰ (GOVERNOR-GENERAL IN COUNCIL) অধীনত তাক ৰখা হ'ল। অৱশ্যে চূড়ান্ত নিয়ন্ত্ৰণৰ দায়িত্ব সাগৰপাৰৰ ব্ৰিটিছ চৰকাৰৰ হাততে থাকিল।

ভাৰতীয় প্ৰজাসকলৰ ৰীতি-নীতি, মনস্তত্ত্ব বুজিবলৈ আৰু ব্যৱহাৰিক সুবিধাৰ বাবে কোম্পানীৰ বিষয়া আৰু কৰ্মচাৰীসকলক ফাচী আৰু সংস্কৃত শিকোৱাৰ ব্যৱস্থা কৰা হৈছিল কলিকতাৰ ফৰ্ট উইলিয়াম কলেজত। ইতিমধ্যে বিদ্যাচৰ্চাই ইউৰোপত এক বিজ্ঞানসম্মত প্ৰণালীবদ্ধ ৰূপ লৈছিল। সেয়ে কোম্পানীয়ে নিযুক্তি দিয়া প্ৰশাসক আৰু পণ্ডিতসকলে সংস্কৃত চৰ্চাক এক আধুনিক প্ৰণালীবদ্ধ ৰূপ দিবলৈ সক্ষম হ'ল। তেওঁলোকৰ গৱেষণাই ন-ন আবিষ্কাৰেৰে প্ৰাচ্যৰ জ্ঞানভাণ্ডাৰ পশ্চিমৰ বিদ্বৎ সমাজৰ আগত দাঙি ধৰি চাঞ্চল্য সৃষ্টি কৰিছিল। এইসকলৰ ভিতৰত শকুন্তলাৰ অনুবাদক ছাৰ উইলিয়াম জ'ন্স, বেদৰ সংকলয়িতা আৰু পছিমীয়া বিজ্ঞানসম্মত ধৰণে প্ৰথম সংস্কৃত ব্যাকৰণ ৰচনা কৰা এইচ্ টি ক'লব্ৰুক, ব্ৰাহ্মী লিপিৰ পাঠোদ্ধাৰকৰ্তা আৰু দুহেজাৰ বছৰে ভাৰতে পাহৰি থকা মহাৰাজ অশোকৰ অমৰ কাহিনী জগতক জনোৱা জে'মছ্ প্ৰিন্সে'প্, ভাৰতৰ বিভিন্ন ধৰ্মীয় সম্প্ৰদায় আৰু পৰম্পৰা অধ্যয়ন কৰোঁতে এইচ্ এইচ্ উইলছন ইত্যাদিৰ অৱদান বিশেষ প্ৰভাৱশালী হৈছিল।

যেতিয়া ভাৰতত ব্ৰিটিছ চৰকাৰে শিক্ষাৰ উন্নতিৰ প্ৰতি মনোযোগ দিবলৈ যো-জা কৰিলে এই পৰম্পৰাৰ পণ্ডিতসকলে প্ৰাচীন সংস্কৃত শাস্ত্ৰাদিৰ চৰ্চাকে শিক্ষাৰ ভিত্তি কৰিবলৈ বিচাৰিছিল। তেওঁলোকৰ মতে দেশীয় সংস্কৃতিত পোতন নথকা শিক্ষাই প্ৰকৃত জ্ঞান দান কৰিব নোৱাৰে। পাশ্চাত্যৰ জ্ঞান-বিজ্ঞান নিশ্চয় শিকোৱা দৰকাৰ, কিন্তু দেশীয় সংস্কৃতিক বৰ্জন কৰি নহয়। (David Kopf, British Orientalism and the Bengal Renaissance, 1969, Calcutta, chs XI, XII) বৰলাটৰ শিক্ষা পৰিষদত শিক্ষা নীতিৰ ভিত্তিত সম্পূৰ্ণ হিচাপে পছিমীয়া

আৰ্হিৰ শিক্ষা নে প্ৰাচ্য ভিত্তিক শিক্ষা ধৰা হ'ব, তাকে লৈ বিতৰ্ক হোৱাত আধা সদস্য এপিনে, বাকী আধা সিপিনে হ'ল। তেতিয়া শিক্ষা পৰিষদৰ সভাপতি আৰু বৰলাটৰ কেন্দ্ৰীয় পৰিষদৰ আইন সদস্য (Law Member) হিচাপে মেক'লেই তেওঁৰ ঐতিহাসিক ৰায় দি প্ৰাচ্যবাদীসকলৰ কণ্ঠৰোধ কৰিলে। বৰলাট লৰ্ড বেণ্টিংকে ততাতৈয়াকৈ প্ৰাচ্যবিদ্যাৰ প্ৰতি ইতিপূৰ্বে থকা সকলো মঞ্জুৰী বাতিল কৰি ইংৰাজী ভাষাত পশ্চিমীয়া পাঠ্যক্ৰম প্ৰৱৰ্তন কৰালে।

লৰ্ড বেণ্টিংক আছিল উপযোগিতাবাদী যুক্তিবাদী দাৰ্শনিক জে'মছ্ মিলৰ শিষ্য। ভাৰতলৈ অহাৰ সময়ত তেওঁ গুৰু মিলক প্ৰতিশ্ৰুতি দিছিল যে ভাৰতত তেওঁ মিলৰ ধ্যান-ধাৰণাসমূহ কাৰ্যকৰী কৰিব। বিলাতৰ শাসন-ব্যৱস্থা আদি সংস্কাৰ কৰাৰ বেলিকা উপযোগিতাবাদী (Utilitarians) বিলাকে বিলাতৰ সমাজৰ বিভিন্ন শক্তিৰ বাধাৰ সন্মুখীন হৈছিল। কিন্তু ভাৰতত সেই বাধাৰ ভয় নাছিল, অস্ত্ৰ বলেৰে ব্ৰিটিছে সকলো বিৰোধী শক্তিক অৱদমন কৰিছিল আৰু ব্ৰিটিছৰ ওপৰত জীৱিকাৰ বাবে নিৰ্ভৰশীল ভাৰতীয় চামৰ মতামতো পশ্চিমীয়া শিক্ষাৰ প্ৰতিহে উন্মুখ আছিল। ৰামমোহন ৰায়ৰ কথা ক'বই নালাগে, ৰক্ষণশীল হিন্দু সমাজৰ নেতা ৰাধাকান্ত দেৱেও হিন্দু কলেজত এই পশ্চিমীয়া শিক্ষাৰে পোষকতা কৰিছিল।

এই উপযোগিতাবাদীসকল যদিও বিশ্বজনীন মানৱীয় সাম্যত বিশ্বাসী আছিল, তেওঁলোকৰ ভাবধাৰাৰ কেন্দ্ৰত আছিল পশ্চিমীয়া সমাজ, পশ্চিমীয়া মানুহ। তাকে আৰ্হিৰূপে লৈ তেওঁলোকে নতুন বিজ্ঞান ভিত্তিক বিশ্বব্যৱস্থা গঢ়িব খুজিছিল। জে'মছ্ মিলে ভাৰতলৈ নহাকৈয়ে ভাৰতৰ বিষয়ে পশ্চিমীয়া পৰ্যবেক্ষক আৰু প্ৰশাসকে দিয়া বিৱৰণ আৰু ব্যাখ্যা অধ্যয়ন কৰি ১৮১৮ চনত History of British India লিখিছিল। তেওঁৰ মতে ভাৰতৰ সমাজ আছিল বৰ্বৰ আৰু ভাৰতীয় সংস্কৃতি কু-সংস্কাৰাচ্ছন্ন। স্বৈৰতন্ত্ৰ আৰু পুৰোহিততন্ত্ৰ মিলি ভাৰতীয় মানুহক এনেদৰে কোঙা কৰিছিল যে ভাৰতীয় মানুহ তেওঁৰ মতে ফাঁকিবাজ, বিশ্বাসঘাতক, অপৰিচ্ছন্ন আৰু নিজৰ সম্পৰ্কে অত্যুচ্চ ধাৰণাৰে শূন্যগৰ্ভ অহমিকাত নিমগ্ন। (Eric Stokes, The English Utilitilitarians and India, Oxford University Press, 1959)। যদিও প্ৰাচ্যবাদী ব্ৰিটিছ পণ্ডিতসকলে মিলৰ এই বিকৃত ব্যাখ্যা খণ্ডন কৰিছিল, ঔপনিৱেশিক প্ৰশাসনক প্ৰভাৱিত কৰিছিল মিলৰ ধ্যান-ধাৰণাইহে। তাৰ গুৰিতে আছিল উন্নত বৈজ্ঞানিক সমৰাস্ত্ৰ আৰু শৃংখলাৰে পৃথিৱীৰ দিশে দিশে আধিপত্য বিস্তাৰ কৰা ইউৰোপীয়সকলৰ নতুন আত্মাভিমান আৰু ঔপনিৱেশিক ব্যৱস্থাৰপৰা জন্মা উচ্চাধিকাৰবোধ। এই মনোভাৱৰ বাচনিক (Discursive) দিশবোৰ বিচাৰকে

উন্মোচন কৰিছে Edward Said-ৰ Orientalism গ্ৰন্থত। (অৱশ্যে Said-ৰ Orientalism শব্দটো কিছু বেলেগ অৰ্থ ব্যৱহাৰ কৰিছে।)

শিক্ষা ব্যৱস্থাৰ জৰিয়তে ঔপনিৱেশিক শাসনৰ মনঃপুত এনেবোৰ ধাৰণা কিছু মাৰ্জিত ৰূপত নব্য শিক্ষিত ভাৰতীয়সকলৰ মনোজগতত গভীৰভাৱে প্ৰোথিত হৈছিল। এনে পাশ্চাত্যকেন্দ্ৰিক ধাৰণাবোৰৰ ফলত নব্য শিক্ষিত ভাৰতীয়ৰ মনত নিজৰ শক্তি সামৰ্থ্য সম্পৰ্কে কিঞ্চিৎ কুণ্ঠা বা হীনমন্যতাৰ ভাবে ঠাই পাইছিল। সভ্য নোহোৱালৈকে আত্মশাসন বা আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দাবী কৰিব নোৱাৰি, তেনে এক ভাবে তেওঁলোকৰ স্বাধীনতা-স্পৃহা সংকুচিত কৰিছিল।

বংকিম চন্দ্ৰৰ আনন্দ মঠ উপন্যাস ভাৰতীয় জাতীয়তাবাদী চিন্তাধাৰাৰ এক বিশিষ্ট দলিল। তাৎপৰ্যপূৰ্ণভাৱে মুছলমান শাসনৰ বিৰুদ্ধে হিন্দুৰ বিদ্ৰোহ ৰূপায়ণৰ জৰিয়তে তাত বংকিম চন্দ্ৰই ভাৰতীয়ৰ অৱদমিত স্বাধীনতা স্পৃহা পৰোক্ষভাৱে প্ৰকাশ কৰিছে। কিন্তু কাহিনীৰ উপসংহাৰত ইংৰাজ শাসনকৰা স্বাধীনতাৰ কথা নাই। বিদ্ৰোহী নেতা সত্যানন্দক তেওঁৰ পথপ্ৰদৰ্শক মহাপুৰুষজনে কি কৈছে চোৱা যাওক :

**তিনি :** হিন্দুরাজ্য এখন স্থাপিত হইবেনা— তুমি থাকিলে অনৰ্থক নরহত্যা হইবে। অতএব চল। শুনিয়া সত্যানন্দ তীব্র মৰ্মপীড়ায় কাতর হইলেন। বলিলেন, 'হে প্রভু! যদি হিন্দু রাজ্য স্থাপিত হইবে না তবে কে রাজা হইবে? আবার কি মুসলমান রাজা হইবে?'

তিনি বলিলেন, 'না, এখন ইংরেজ রাজা হইবে।' সত্যানন্দের দুইচক্ষে জলধারা বহিতে লাগিল। ....চিকিৎসক বলিলেন, "সত্যানন্দ, কাতর হইও না। ...যাহা হইবে, তাহা ভালই হইবে। ইংরেজ রাজা না হইলে সনাতন ধর্মের পুনরুদ্ধারের সম্ভাবনা নাই। ....মনোযোগ দিয়া শুন। ...বহির্বিষয়ক জ্ঞান আগে না জন্মিলে অন্তর্বিষয়ক জ্ঞান জন্মিবার সম্ভাবনা নাই। .... এদেশে অনেক দিন হইতে বহির্বিষয়ক জ্ঞান বিলুপ্ত হইয়া গিয়াছে — কাজেই প্রকৃত সনাতন ধর্মও লোপ পাইয়াছে। ....ইংরেজ বহির্বিষয়ক জ্ঞানে অতি সুপণ্ডিত, লোকশিক্ষায় বড় সুপটু। সুতরাং ইংরেজকে রাজা করিব। ...যতদিন না হিন্দু আবার জ্ঞানবান, গুণবান আর বলবান হয়, ততদিন ইংরেজ রাজ্য অক্ষয় থাকিবে। ইংরেজ রাজ্যে প্রজা সুখী হইবে— নিষ্কণ্টকে ধর্মাচরণ করিবে" (আনন্দ মঠ ৪র্থ খণ্ড, ৮ম পৰিচ্ছেদ) ইয়াত মুছলমানক দুৱাৰৰ বাহিৰত থৈ হিন্দুকে প্ৰকৃত ভাৰতীয় বোলা হৈছে। তদুপৰি ধৰি লোৱা হৈছে ব্ৰিটিছৰ হাতত থকি ভাৰতীয়ই স্বাধীনতাৰ দুৱাৰমুখলৈ খোজকাঢ়ি যাব। ঔপনিৱেশিক শক্তিৰ অপাৰ মহিমাৰ প্ৰতি এই আস্থা লক্ষ কৰিবলগীয়া। কলিকতা বিশ্ববিদ্যালয়ৰ প্ৰথম স্নাতক বংকিম চন্দ্ৰ

কোনো উৎকেন্দ্রিক লোক নাছিল, তেওঁ ভাৰতৰ আধুনিক যুগৰ নতুন মানসিকতাৰ প্ৰতিভূ। তেওঁৰ উপন্যাসে আধুনিক ভাৰতৰ জাতীয় মানস ৰচনাত অদ্বিতীয় ভূমিকা লৈছিল বাবেই 'বন্দে মাতৰম' গীতটিয়ে দ্বিতীয় ৰাষ্ট্ৰীয় সংগীতৰ মৰ্যাদা পাইছে। কিন্তু আত্মনিৰ্ভৰতা আৰু আত্মনিয়ন্ত্ৰণৰ দাবী ইয়াত ক্ষীণ। সভ্যতাৰ নগত ব্ৰিটিছৰ ওপৰত নিৰ্ভৰশীলতাৰ ভাব ইয়াত বিজড়িত। সেইদৰে আমি ক'বলৈ বাধ্য যে যিসকলে ঢেকিয়াল ফুকনক দেশৰ মুক্তি সংগ্ৰামৰ অগ্ৰদূত বোলে তেওঁলোকে অতিৰঞ্জন কৰিছে।

কিন্তু শিক্ষাৰ এই আদৰ্শত মুক্তি আৰু সাম্যৰ কোনো আশা-ভৰসা নাছিলেই নে? এইখিনিতে খ্ৰীষ্টান 'বেপ্তিষ্ট মিছন'ৰ ভূমিকা পৰ্যালোচনা কৰা দৰকাৰ। কাৰণ এই ক্ষেত্ৰতো কিছু অসংগত মন্তব্য কৰা হৈছে। বংগদেশত উইলিয়াম কেৰি আৰু তেওঁৰ মুন্সি ৰামৰাম বসুৱে যেনেকৈ আধুনিক বাংলা ভাষাৰ ভিত্তি স্থাপন কৰিছিল, তেনেকৈ অসমত নেথান ব্ৰাউন, মাইল্‌চ্‌ ব্ৰন্সন আদিয়ে বলিষ্ঠভাৱে আধুনিক অসমীয়া ভাষাৰ সপক্ষে আন্দোলন কৰাৰ উপৰি ভাষাটোৰ এক আধুনিক গঢ় দিছিল। বংগদেশত English Baptist Mission, অসমত American Baptist Church,ৰ Mission বা ধৰ্মপ্ৰচাৰক বাহিনী সক্ৰিয় হৈছিল। দুয়োটা দলৰ মাজত যথেষ্ট সম্প্ৰীতি আৰু সহযোগ আছিল।

বেপ্তিষ্ট চাৰ্চৰ চৰিত্ৰৰ এটা দিশ ভাৰতীয় গৱেষকসকলে অৱহেলা কৰিছে। সপ্তদশ শতাব্দীৰ ইংলেণ্ডৰ ৰাষ্ট্ৰবিপ্লৱৰ (English Revolution) যি ধৰ্মীয় তথা মতাদৰ্শগত দিশ আছিল তাত এটা গণতান্ত্ৰিক উপাদান আছিল। বিশেষকৈ শ্ৰমজীৱী শ্ৰেণীৰ মাজত গঠিত ক্ষুদ্ৰ প্ৰটেষ্টাণ্ট্‌ সম্প্ৰদায় (Sect) সমূহৰ ধৰ্মমতত ঈশ্বৰৰ কৃপাৰ পাত্ৰ ৰূপে ঐশী প্ৰেৰণাৰ সাক্ষীস্বৰূপে সকলো মানুহকে গণ্য কৰাৰ এক প্ৰৱণতা দেখা গৈছিল। তাৰ ভিতৰত বেপ্তিষ্টসকলে বিশ্বাস কৰিছিল যে বাকীবোৰ সম্প্ৰদায়ৰ দৰে শৈশৱ কালতে মানুহক পবিত্ৰ স্নানদ্বাৰা খ্ৰীষ্টিয় ধৰ্মমণ্ডলীৰ অন্তৰ্ভুক্ত কৰা অৰ্থহীন। জ্ঞান পোৱাৰ পিছতহে সজ্ঞানে আৰু সুস্থিৰ বিবেচনাৰে মানুহে যীশু খ্ৰীষ্টৰ আহ্বানত সঁহাৰি দিব পাৰে। আৰু তেতিয়াহে পবিত্ৰ স্নানেৰে মানুহক খ্ৰীষ্টিয় ধৰ্মমণ্ডলী দীক্ষা দিব পাৰি। প্ৰতিজন ধৰ্ম বিশ্বাসীৰ বিবেক বা বিশ্বাসৰ ওপৰত দিয়া এই গুৰুত্বই প্ৰতিজন মানুহৰ বিচাৰ-বুদ্ধিক মৰ্যাদা প্ৰদান কৰে। এনে ধাৰণাও কৰিব পাৰি যে অষ্টাদশ শতাব্দীৰ দ্বিতীয়াৰ্দ্ধৰ যুক্তিনিষ্ঠ গণতান্ত্ৰিক ব্যক্তি স্বাতন্ত্ৰ্যবাদৰ এই এক জনপ্ৰিয় ধৰ্মীয় সংস্কৰণ।

এই ধৰ্মীয় আত্মচেতনা তথা জাগৰণ বিশ্বৰ সকলো দুখী, নিপীড়িত মানুহৰ মাজত বিয়পাই দিবলৈ অষ্টাদশ শতাব্দীৰ শেষৰ পিনে ১৭৯২ চনত বেপ্তিষ্ট মিছন

অৰ্থাৎ বেপ্তিষ্ট ধৰ্মপ্ৰচাৰক সংঘ গঠিত হয়। তাৰ প্ৰথম প্ৰতিষ্ঠাতা বংগদেশৰ শ্ৰীৰামপুৰত মিছন স্থাপন কৰা স্বনামধন্য উইলিয়াম কেৰি— যাৰ নাম আধুনিক বংগৰ সাহিত্য-সংস্কৃতিৰ লগত ওতপ্ৰোতভাৱে জড়িত। কেৰি চাহাবে যি ধৰণে ধৰ্মপ্ৰচাৰৰ কাম আৰম্ভ কৰিলে তাৰ বৈশিষ্ট্য অতি আকৰ্ষণীয়। ভাৰতৰ দেশীয় জনগণৰপৰা আঁতৰি নাথাকি তেওঁলোকৰ মাজত থাকি, তেওঁলোকৰ সুখ-দুখৰ সমভাগী হৈ, নিতান্ত অনাড়ম্বৰ জীৱন-যাপন কৰি, খ্ৰীষ্ট ধৰ্মৰ আলোক বিতৰণ কৰিবলৈ বেপ্তিষ্ট্ মিছনৰ প্ৰথম সদস্যসকল— উইলিয়াম কেৰি, জছুৱা মাৰ্ছমেন, শ্ৰীমতী মাৰ্ছমেন, উইলিয়াম ৱাৰ্ড, উইলিয়াম গ্ৰেণ্ট, ডেনিয়েল ব্ৰামছ্ডেল— প্ৰতিজ্ঞাবদ্ধ হৈছিল। ১৭৯৯ চনত স্থাপিত এই মিছন ব্ৰিটিছ অধিকৃত ভূখণ্ডত স্থাপিত হোৱা নাছিল, কাৰণ ঘাইকৈ ব্যৱসায়ী দৃষ্টিভংগীৰদ্বাৰা পৰিচালিত হোৱা কোম্পানীৰ বিষয়াবৰ্গ মিছনাৰি বা ধৰ্মপ্ৰচাৰকৰ প্ৰতি পোনতে মুঠেই সদয় নাছিল। (A. Duff, India and the Indian Missions, 1840)

প্ৰথমৰেপৰা বেপ্তিষ্ট মিছনেৰিসকলে ধৰ্ম শিক্ষাৰ লগতে পাৰ্থিৱ জগৎ সম্পৰ্কে বৈজ্ঞানিক শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব দিছিল। তেওঁলোকৰ মতে বৈষয়িক জীৱনৰ সত্য আৰু ধৰ্মীয় জীৱনৰ সত্যৰ আধাৰ আৰু উৎস এক ভগৱানেই। তদুপৰি আপামৰ সকলো মানুহ এই জ্ঞানৰ অধিকাৰী হোৱাৰ যোগ্য। সেয়ে ১৮০০ চনৰ ১মে' তাৰিখেই শ্ৰীৰামপুৰ মিছনে এখন পাঠশালি স্থাপন কৰি দুই বিধৰ জ্ঞান সাধাৰণ ভাৰতীয় মানুহৰ মাজত বিতৰণৰ প্ৰয়াস আৰম্ভ কৰিছিল। তেওঁলোকৰ এই প্ৰচেষ্টা দেশীয় সৰ্বসাধাৰণ ৰাইজে আগ্ৰহেৰে গ্ৰহণ কৰা বুলি তেওঁলোকে অনুভৱ কৰিলে। উইলিয়াম কেৰিয়ে প্ৰতি জাতিৰে নিজা ভাষাত জাগতিক আৰু ধৰ্মীয় জ্ঞান প্ৰচাৰ কৰাত গুৰুত্ব দিয়া বাবে বঙালী ভাষা বিশেষ মনোযোগ আৰু পৰিশ্ৰমেৰে শিকিছিল, আৰু অসমৰপৰা অসমীয়া ভাষাত বাইবেল অনুবাদ কৰাবলৈ লৈ গৈছিল আত্মাৰাম শৰ্মাক। কেৰি আৰু সহযোগীসকলে শ্ৰীৰামপুৰত মুদ্ৰাযন্ত্ৰ স্থাপন কৰি দেশীয় ভাষাত কিতাপ ছপা কৰা কামত হাত দিলে। সেয়ে আধুনিক সভ্যতাৰ অন্যতম শ্ৰেষ্ঠ দান মুদ্ৰণ যন্ত্ৰৰো সাঁচ দেশীয় সমাজ-সংস্কৃতিত প্ৰথম বহুৱালে। ১৮১৮ চনত তেওঁলোকে সম্বাদ দৰ্পণ নামৰ এখন বাতৰি কাকতো প্ৰকাশ কৰিলে। উইলিয়াম কেৰিয়ে তেওঁৰ নিৰলস চেষ্টাৰ জৰিয়তে কেৱল শিক্ষা বিস্তাৰেই কৰা নাছিল, আধুনিক জ্ঞান-বিজ্ঞান দেশীয় ভাষাত সুলভ কৰিবলৈ চেষ্টাৰ ক্ৰটি কৰা নাছিল। ১৮০১ চনতে তেওঁৰ সহকাৰী ৰামৰাম বসুৱে প্ৰতাপাদিত্য চৰিত্ৰ নামে এখন কিতাপ উলিয়ায়। ই প্ৰথম আধুনিক বঙলা ভাষাৰ গদ্যগ্ৰন্থ আৰু প্ৰথম

ইতিহাস গ্ৰন্থ। ১৮১৮ চনত ভূগোল, ১৮২৫ চনত এলজিব্ৰা আৰু New Testament অনুবাদ, ১৮৩৩চনত পবিত্ৰ বাইবেল, (নতুন নিয়ম) ১৮২৫ চনত পদাৰ্থবিদ্যা আৰু ১৮৩৪ চনত জিনিয়া বিদ্যাৰ সাৰ (অৰ্থাৎ ৰসায়ন সাৰ), ১৮৩৯ চনত জ্যোতিৰ্বিদ্যা তুৰুলোকেৰ শিক্ষাৰ্থে আৰু নতুন জ্ঞান-বিজ্ঞানৰ গ্ৰন্থ বলে ভাষাত কৰিত আৰু মুদ্ৰিত হয়। Lamb's Tales from Shakespear অনুবাদ হয় ১৮৫৩ চনত আৰু Pilgrim's Progress ১৮৫১ চনত। সংস্কৃত পণ্ডিতসকলৰ বিপৰীতে কেৰীলোকে সহজ কথ্য ভাষাৰ শব্দ আৰু বাক্য বিন্যাস গ্ৰহণ কৰি বঙালী ভাষাৰ এক আধুনিক গদ্যৰীতিৰ জন্ম দান কৰিলে। কেৰীলোকৰ বঙালী ভাষাত বিশেষকৈ প্ৰথম পৰ্যায়ৰ ইংৰাজীৰ শীঘ্ৰ বহিৰ্গত হওয়ে সি অজনপ্ৰিয়তা অৰ্জন কৰিছিল। ১৮১৭ চনত স্থাপিত Calcutta School Book Societyৰ অন্যতম সদস্য আছিল এই অদ্ভুত কৰ্মী মুদ্ৰিতাৰ দ'ম আৰু মেৰাদী পণ্ডিত কেৰি। ১৮২৫ চনলৈ এই Calcutta School Book Societyয়ে ইংৰাজী আৰু বঙলা ভাষাৰ কিতাপ বিতৰণ কৰিছিল এক লাখ খন। মন কৰিবলগীয়া কথা এয়ে যে কেৰ'লে'ৰ শিক্ষাত বা মুদ্ৰণত টেকাটোৰ বহু পূৰ্বে এইবোৰ ঘটনা ঘটিছিল।

কিন্তু কেৰীৰ জনগণৰ মাজত শিক্ষা বিস্তাৰৰ এই আন্দোলন শেষ পৰ্যন্ত সীমাবদ্ধ থাকিল উচ্চবৰ্ণৰ মধ্যবিত্তৰ মাজত। মহাকবি বিদ্যাসাগৰেও সংস্কৃত কলেজত কায়স্থৰ বাহিৰে আন শূদ্ৰৰ স্থান দিয়াত ইতস্ততঃ কৰিছিল। (Letter dated. 28th March, 1851 to Governor of Bengal, see Appendix II, Asoke Sen, Iswar Chandra Vidyasagar and the Elusive Milestone, Calcutta, 1977) ১৮৬৬ চনৰ ২৯ এপ্ৰিল তাৰিখে বঙ্গৰ প্ৰাদেশিক চৰকাৰৰ চিঠিৰ উত্তৰ দি এইটো মতামত দান দিয়াই ক'লে যে জাতিভেদ থকা মানে নিম্নবৰ্ণৰ লোকসকলে শিক্ষাৰ প্ৰতি কোনো আগ্ৰহ অনুভৱ কৰাৰ আশা নাই।

কেৰীৰ অভিযোগৰ অৰ্থ আছিল এয়ে যে অদূৰ ভৱিষ্যতেও ভাৰতৰ অগণন সাধাৰণ মানুহে শিক্ষাৰ সুফল বাছু কৰি আগবাঢ়ি নাহিব। উচ্চবিত্ত, মধ্যবিত্ত আৰু উচ্চ বৰ্ণৰ ভদ্ৰলোক শ্ৰেণীৰ মাজত আবদ্ধ থকা এই শিক্ষা বিস্তাৰৰ প্ৰতীক আছিল শিৱপুৰ বোটানিকেল কলেজ আৰু হোৱা হিন্দু কলেজ। ইতিমধ্যে উইলিয়াম কেৰি বঙালী ভাষাৰ বিশেষজ্ঞ পণ্ডিতৰূপে প্ৰতিষ্ঠাসম্পন্ন কৰি উইলিয়াম কলেজৰ অধ্যাপক নিযুক্ত হৈছিল। অধিকাংশ জনসাধাৰণ মাজত প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ আছিল নগণ্য। ঔপনিৱেশিক শাসনৰ এইদৰে ৰাজনৈতিক অস্থাৰ পৰা আঁতৰি

ৰুৱা বেপ্তিষ্ট মিছনে ধৰ্মান্তৰিত উদ্দেশ্যে আৰু সেইমতে ভাষাৰ উন্নতিৰ বিচাৰে মাতৃৰ ভাষাৰ কবি বাণিজ্যিক সফল হ'ল।

অসমত খ্ৰীষ্ট ধৰ্ম প্ৰচাৰ কৰা আমেৰিকান বেপ্তিষ্ট মিছনৰ দুই জন মিছনেৰী নাথান ব্ৰাউন আৰু অলিভাৰ কাটাৰে ১৮৪১ চনত শিৱসাগৰত স্থাপিত হোৱা ছাপাখানাটোৰ পৰিচালন দায়িত্ব তুলি লৈছিল ১৮৪৬ চনত। মিছনেৰীসকলে আৰম্ভণিতে ধৰ্মীয় গ্ৰন্থৰ অনুবাদ কৰা নতুন নিয়মত অসমীয়া ভাষাৰ গদ্য-পদ্য পোনপটীয়া হোৱা যেন পাই নাথান্ ব্ৰাউনে ১৮৪৮ চনত সিদ্ধু দিবীন নতুন নিয়ম নামে তাৰ পুনৰ অনুবাদ কৰে। ১৮৪৮ চনত তেওঁ Grammar of The Assamese Language-ত অসমীয়া ভাষাৰ স্বতন্ত্ৰতা প্ৰতিপন্ন কৰিছিল। ১৮৫৫ চনত 'গুণমালা পদ্য', ১৮৫৫ চনত 'চুৰিৰ পদ্য' আৰু ১৮৫১ চনত 'ভূগোলৰ বিৱৰণ' আদি পাঠ্যপুথি উলিয়ায়। (মহেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ, 'অসমৰ কাকত-আলোচনীৰ তেজাল ৰঙীয়া ইতিহাস, ১৯৯৮) ত্ৰয়ীৰ লেখাৰ বিৱৰণসমূহে নিশ্চিতভাৱে প্ৰমাণিত হয় যে নাথান্ ব্ৰাউন, মাইলচ্ ব্ৰন্সন আদি বেপ্তিষ্ট ধৰ্মপ্ৰচাৰকসকলৰ ঐকান্তিক যত্নতে অসমীয়া ভাষাই অসমত তাৰ প্ৰাপ্য মৰ্যাদা লাভ কৰে। এই ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকন তেওঁলোকৰ সহযোগী আছিল। এফালে খ্ৰীষ্টান মিছনেৰীসকল আৰু ফুকনে আধুনিক অসমীয়া গদ্যৰ ভেটি বান্ধিছিল।

কথাটো এনেদৰে ভাবিলে ভুল হ'ব যে বিদেশী মিছনেৰীসকলৰ প্ৰচেষ্টাত ফুকন এজন সহকাৰী আছিল, আনহে ফুকনৰ একক প্ৰচেষ্টাত দুই এই মিছনেৰীসকলে সহায় কৰিছিল [illegible]। দুয়ো পক্ষ আছিল এক মতাদৰ্শৰে অনুপ্ৰাণিত কৰা একেটা উদ্দেশ্যৰ অংশীদাৰ। কলিকতাৰ শিক্ষাই 'মধু মুকলি কৰা' [illegible] ফুকনে এই মহৎ কাৰ্যত মিছনেৰীসকলৰ লগতে ব্ৰতী হৈছিল। আৰু কেৱল অসমীয়া ভাষাক উন্নত কৰাই তেওঁৰ উদ্দেশ্য নাছিল। কলিকতাৰ নৱশিক্ষিতসকলৰ দৰে [illegible] নিজৰ সমাজক [illegible] এক [illegible], সমাজৰ আকুল। 'এ ফিউ ৰিমাৰ্কছ অন দি আছামিজ লেংগুৱেজ' পুথি আৰম্ভ কৰা অনুচ্ছেদৰ ভাষাত উদাৰ দিশত [illegible] আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰগতি [illegible] আৰু [illegible] প্ৰতি [illegible] কৰা হৈছে।

সাহিত্যৰ কাৰণে [illegible] আৰু [illegible] আছিল ফুকনৰ ভাষা-প্ৰতি [illegible] আৰু সাহিত্য সাধনাৰ মূলসূত্ৰ। তেওঁ নিজে কথাটো [illegible] উপলব্ধি কৰিছিলে এই কথা ঠিক যে কেৱল শিক্ষাবিস্তাৰ বা আন প্ৰচাৰেই তেওঁৰ জীৱনৰ [illegible] হোৱা [illegible] হ'লে কলিকতাত বা আন ঠাইত থাকিলে সেই উদ্দেশ্য সাধন হোৱা [illegible]

তেওঁ সন্তোষ লাভ কৰিলেহেঁতেন। কিন্তু তেওঁ বিচাৰিছিল অসমীয়া সমাজৰ জাগৰণ। ব্ৰিটিছৰপৰা মুক্তিৰ জৰিয়তে নহয়, ব্ৰিটিছৰ ছত্ৰছাঁয়াত। বংগদেশতো বংকিম চন্দ্ৰৰ আনন্দ মঠত আমি ফুকনতকৈ প্ৰায় চল্লিশ বছৰৰ পিছত একে ভাবধাৰাৰে সুসংহত আৰু সুচিন্তিত প্ৰকাশ দেখিবলৈ পাইছোঁ।

ঊনবিংশ শতাব্দীৰ অন্যতম প্ৰভাৱশালী ইউৰোপীয় অৱদান আছিল জাতীয়তাবাদ। কিন্তু এই জাতীয়তাবাদৰ নিৰ্দিষ্ট গঠনমূলক কাৰ্যসূচীৰ উপৰি তাৰ সুস্পষ্ট ৰাজনৈতিক লক্ষ্য আছিল। জাতীয় মুক্তিৰ প্ৰশ্ন তাৰ বাবে অপৰিহাৰ্য। তাৰ লগৰীয়া এক প্ৰৱণতা আছিল সাধাৰণ মানুহৰ জাগৰণ। শিক্ষা, জ্ঞান বিস্তাৰ, সকলোৰে পাত্ৰ হ'ব এই সাধাৰণ মানুহ। এই পিনৰপৰা তাৰ এক গণতান্ত্ৰিক মৰ্ম আছে। কিন্তু এইটোও ঠিক যে জাতীয় বিকাশ কেতিয়াবা বিপথগামী হৈ সাধাৰণ মানুহক উগ্ৰজাতীয়তাবাদী ফেছিবাদৰ সেনানীত পৰিণত নকৰাকৈ থকা নাই।

ঔপনিৱেশিক ব্যৱস্থাত মিহলি হৈ পৰা বাবে জাতীয় বিকাশৰ এই আকাংক্ষা আৰু প্ৰয়াসত প্ৰথমৰেপৰা কিছু ভেঁজাল সোমায়। বেপ্তিষ্ট মিছনেৰিসকলে প্ৰথমে চৰকাৰৰপৰা আঁতৰি ধৰ্মপ্ৰচাৰ আৰু জ্ঞান বিস্তাৰত লাগিছিল। কিন্তু পিছলৈ চৰকাৰৰ লগত তেওঁলোকৰ যোগাযোগ ঘনিষ্ঠ হয় আৰু ঔপনিৱেশিক প্ৰশাসনৰ অন্যতম অনানুষ্ঠানিক সহযোগীৰূপে তেওঁলোক প্ৰতিষ্ঠিত হয়। (১৯৭০ চনতে 'সাহিত্যৰ সভ্য'ত উদাহৰণসহ কথাটো দেখুৱা হৈছিল) জাতীয় মুক্তিৰ দাবী তেওঁলোকে একাষৰীয়াকৈ থ'লে। ধৰ্মান্তৰকৰণতো সম্পূৰ্ণ সফল হ'ব নোৱাৰি অৱশেষত নিজৰ অজ্ঞাতসাৰে ঔপনিৱেশিক বিভেদৰ ৰাজনীতিৰ অংশীদাৰ হৈ পৰিল। ঢেকিয়াল ফুকনৰ জীৱন কালত অৱশ্যে এইবোৰ ভৱিষ্যতৰ গৰ্ভত লুকাই আছিল।

আগতে উল্লেখ কৰা দৰে খ্ৰীষ্টধৰ্ম প্ৰচাৰে ভাৰতীয় প্ৰজাক ক্ষুব্ধ কৰি অবাধ বাণিজ্যৰ ক্ষতি কৰিব বুলি কোম্পানীৰ প্ৰশাসকসকলে মিছনেৰিসকলক সুনজৰে চোৱা নাছিল। পিছলৈ ধৰ্মপ্ৰচাৰৰ ৰাজনৈতিক সুফল তেওঁলোকে উপলব্ধি কৰিলে। অসমৰ প্ৰশাসনৰ মূল দায়িত্বত থকা কেপ্তেইন (পিছলৈ কৰ্ণেল) জেন্‌কিন্সে আনকি অৰ্থাভাৱত পৰা আমেৰিকান বেপ্তিষ্ট মিছনক অৰ্থ সাহায্য দিবলৈ গাত ল'লে, যদি তেওঁলোকে 'দুৰ্দান্ত' খামটি-চিংফৌসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰে। (ড° মহেশ্বৰ নেওগ, উল্লিখিত গ্ৰন্থ, পৃঃ ১০।)

'অৰুণোদই' প্ৰকাশৰ উদ্দেশ্য ব্যাখ্যা কৰি তাৰ সম্পাদক নেথান ব্ৰাউনে সহকৰ্মী ডেন্‌ফৰ্থলৈ দিয়া এখন চিঠি ঐতিহাসিক H.K. Barpujariয়ে তেওঁৰ The American Missionaries and North-East Indiaত উদ্ধৃত কৰিছে। চিঠিখনৰ সূক্ষ্ম বিচাৰৰ প্ৰয়োজন আছে। চিঠিখনত কৈছে ঃ

"The Orunodoi has been considered by the mission as one of the most powerful instrumentalities for gaining access to the mind of the Assamese.... No other instrument that we could use would exert half of the influence in enlightening the native mind and undermining their shaster as a paper of this kind."

ইয়াত দেখা গৈছে দেশীয় শাস্ত্ৰৰ প্ৰভাৱৰপৰা মুক্ত কৰি আৰু নতুন পছিমীয়া জ্ঞান আৰু ধৰ্মভাবেৰে আলোকিত কৰি অসমীয়া মানুহৰ মনক নতুন গঢ় দিয়াই আছিল 'অৰুণোদই'ৰ উদ্দেশ্য। ঔপনিৱেশিক প্ৰশাসনক মানি লৈ, তাৰ সুফলবোৰৰ সম্পৰ্কে সজাগ আৰু সকৃতজ্ঞ হৈ চলিবলৈ নতুনকৈ অধিকাৰ কৰা অসমৰ অধিবাসীসকলক 'অৰুণোদই' কাকতে শিক্ষা দিছিল। দুখৰ বিষয় এই ৰাজনৈতিক তাৎপৰ্যটো অসমৰ বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস নামৰ ১৯৯৮ চনত ওলোৱা সুবৃহৎ গ্ৰন্থত সন্নিবিষ্ট 'অৰুণোদই' সম্পৰ্কীয় পাঁচটা প্ৰবন্ধৰ এটাতো উল্লিখিত হোৱা নাই।

মাইলছ ব্ৰন্সনে ১৮৪৬ চনৰ এপ্ৰিল সংখ্যা 'অৰুণোদই'ত লিখিলে ঃ 'এই দেসৰ আগৰ ৰজাবিলাকে সামান্য লোকক পৰ্য্যই সুনাই গিয়ানি কৰিবলৈ ইচা নকৰিছিল। কিন্তু এই কালৰ অধিকাৰ বিলাকে সকলো জাতিলোকৰ লৰাবিলাকক বিনামুলে পৰ্হি সুনি গিয়ানি হবৰ কাৰণে গাঁৱে গাঁৱে স্কুল পাতি বৰ অনুগ্ৰহ কৰিচে...'

কিন্তু শেষ পৰ্যন্ত এই শিক্ষাবিস্তাৰে সমাজৰ সকলো দিশকে স্পৰ্শ কৰিছিলনে?

শিক্ষা বিস্তাৰৰ জৰিয়তে সভ্যতাৰ শিখৰত আৰোহণ কৰিবলৈ মিছনেৰিসকল আৰু ঢেকিয়াল ফুকন প্ৰভৃতি পথিকৃতৰ আহ্বানে অসমীয়া শিক্ষিত সমাজক আলোড়িত নকৰাকৈ থকা নাছিল। 'আসাম বন্ধু' আলোচনীত গৌ.না.দা. নামৰ এজনে কবিতা লিখিছিল ঃ

ঊনৈশ শতিকা ইংৰাজী পতাকা
নগৰে নগৰে উড়াই দিলে।
এতিয়া ইংৰাজ জগতৰ গুৰু
ইংৰাজৰ তুল ক'তো নিমিলে।
ইংৰাজৰ দেশ পুণ্যভূমি আজি
বিজ্ঞানৰ দেশ ভুৱন-জয়ী
নিশিকি বিজ্ঞান অজ্ঞান আঁধাৰে
আছা অসমীয়া পতিত হই।

(আসাম বন্ধু, সম্পাদক ড° নগেন শইকীয়া পৃঃ ১২৭)

হেমচন্দ্র গোস্বামীৰ 'জাহাজ' কবিতা শুনক ঃ

নাই একো ভয় কলিৰ ইংৰাজ
আনিছে জাহাজ ভাপৰ নাও,
আহাঁ সকলোৰে পিন্ধো সাজপাৰ
উঠা জাহাজত বিদেশে যাওঁ
এই উনবিংশ শতাব্দীত আজি
বিজ্ঞান সূৰ্যৰ আলোত পাই,
চোৰাচোন কোনে আচে মনে মনে
অদৃষ্ট-মোনাত হাত সুমাই।

(পৃঃ ৩৪২-৩৪৩)

কিন্তু 'আসাম বন্ধু'তে দ্বিতীয় সংখ্যাত H নামৰ কোনো এজন লেখকে ঔপনিৱেশিক শিক্ষাৰ স্বৰূপ উদঙাইছিল ঃ

'আমাৰ দেশৰ মানুহ অলপমান শিকাবুজা হলেই তেওঁলোকৰ মনত ক্ষেতিলৈ অশ্রদ্ধা ভাবৰ উদয় হয়। কিন্তু তেওঁবিলাকে নাভাৱে যে তেওঁবিলাক শিক্ষিত হই ক্ষেতিৰ উন্নতিৰ চেষ্টা কৰিলে শীঘ্রে সিদ্ধি হব পাৰে।'

+ + +

'যি শিক্ষাৰ পৰা সহজে স্বাধীন ভাবেৰে আৰু সুখেৰে ধন উপাৰ্জন কৰিব পৰা উপায়লৈ অশ্রদ্ধা হইছে, তেনে শিক্ষা নোহোৱাই ভাল।' (পৃঃ ৫৯)

চিন্তাবিদ ডিম্বেশ্বৰ নেওগদেৱে ১৯৩০ চনত কৰা মন্তব্যই ঔপনিৱেশিক শিক্ষা বিস্তাৰৰ প্ৰকৃত চৰিত্ৰ অন্তৰ্ভেদী ভাষাৰে নিৰ্ণয় কৰিছিল।

'আমি সকলো প্ৰকাৰেই পৰাধীন। আমাৰ শিক্ষা বিদেশীৰ হাতত; অৰ্থাৎ আমাৰ পেটৰ উমান ধৰি আহাৰ যোগাব লোকে, আমি নিজৰ ভোক লগা নলগাৰ কথাও ক'ব নেজানো। মনুষ্যত্বৰ কাৰণে ইয়াতকৈ ধিক্কাৰৰ কথা আৰু কিবা আছেনে?' (বাঁহী, কাতি, ১৮৫২ শক, পৃঃ ২৫৭)

'উন্নত দেশৰ আধুনিক সকলো বিশ্ববিদ্যালয়ৰে প্ৰাণ হৈছে এই— স্বাধীনতাই। স্বাধীনতাহীন শিক্ষাৰ অনুষ্ঠান প্ৰাণহীন, সি জীৱিত বা চেতন প্ৰাণী গঢ়িব নোৱাৰে।' (বাঁহী, ফাগুন ১৮৫২, পৃঃ ৩১১)

এই ধৰণৰ স্বাধীন ব্যক্তিত্ব শিক্ষিত সমাজতো তেতিয়া বিৰল আছিল। আৰু আজি স্বাধীনতাৰ পঞ্চাশ বছৰ পিছতো শিক্ষা ব্যৱস্থাৰ বাহিৰত SELF-HELP আদি

কিতাপৰ শিক্ষাৰ জৰিয়তে তেনে স্বাধীন ব্যক্তিত্ব গঢ়াৰ পৰামৰ্শ আমাৰ কোনো কোনো চিন্তাবিদে বিলাবলগীয়া হৈছে।

ঔপনিৱেশিক ব্যৱস্থাৰ আন এটা দিশ আছিল উচ্চবৰ্ণৰ ভদ্ৰলোক সমাজত শিক্ষাৰ প্ৰসাৰ আবদ্ধ থকাটো। ১৯০১ চনত বংগদেশত ব্ৰাহ্মণৰ ৩৫.৮৪% আৰু ১৯২১ চনত ৪৩.১৫% সাক্ষৰ আছিল। ১৯০১ চনত বৈদ্যৰ ৪৫.৬২% আৰু ১৯২১ চনত ৫৭.৫২%। কিন্তু বাগ্‌দী জাতৰ সাক্ষৰ ১৯০১ চনত ১.৫৭% আৰু ১৯২১ চনত ২.১৩%। গোৱালা জাতিৰ ১৯০১ চনত সাক্ষৰ ৬.৩৩% আৰু ১৯২১ চনত ১০.৫৭%। (N.K. Bose, Modern Bengal, 1959)। কথাটো কেৱল উচ্চ বৰ্ণৰ চক্ৰান্ত বুলিলে শুদ্ধকৈ বুজা নহ'ব। ঔপনিৱেশিক ব্যৱস্থাই সামাজিক গতিশীলতা সীমাবদ্ধ কৰি ৰাখিছিল প্ৰাচীন সামাজিক পৰম্পৰাক সংৰক্ষিত কৰি। গণতান্ত্ৰিক সামাজিক শক্তিবোৰো তেনেকৈ শৃংখলিত কৰি ৰাখিছিল। তাৰ সুবিধা উচ্চবৰ্ণই ভোগ কৰিলে আৰু নিম্ন বৰ্ণ হ'ল বঞ্চিত। অৰ্থাৎ জাতীয় নৱজাগৰণৰ প্ৰয়াস চলিল সমাজৰ সংখ্যাগৰিষ্ঠ অংশক নিদ্ৰামগ্ন কৰি থৈ। সেয়ে শিক্ষাৰ যি ক্ৰান্তিকাৰী সম্ভাৱনা আছিল, তাক বহু পৰিমাণে তাৰ ঔপনিৱেশিক পৰিকাঠামোৱে নষ্ট কৰি পেলালে। ঔপনিৱেশিক ব্যৱস্থা ওফৰাবলৈ যি জাতীয় মুক্তি সংগ্ৰাম চলিছিল, সিহে কিছু পৰিমাণে এই সামাজিক স্থবিৰতাৰ অৱসান ঘটালে। কিন্তু মধ্যবিত্ত নেতৃত্বই তাৰো অৱকাশ সংকুচিত কৰিলে।

অসমৰ জনসংখ্যাত অনুসূচিত সম্প্ৰদায়তকৈ অনুসূচিত জাতিৰ অনুপাত বেছি। গতিকে শিক্ষা বিস্তাৰৰ প্ৰকৃত ছবিখন অনুসূচিত জাতিৰ মাজত বেছি স্পষ্ট হ'ব লাগে। ১৯৬১ চনৰ ভাৰতৰ লোকপিয়ল অনুযায়ী খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰা অনুসূচিত জাতিবোৰৰ মাজত সাক্ষৰতাৰ হাৰ বেছি।

'অসমীয়া লৰাৰ মিত্ৰ'ত গাৰো, মিকিৰ আদি 'অসভ্য' জাতিৰ প্ৰতি শিক্ষিত ভাৰতীয়ৰ অবজ্ঞাৰ ভাব প্ৰকাশ পাইছে। (পৃঃ ১০৪)। এইটো যেন James Mill বা Macaulayৰ ভাৰতৰ প্ৰাচীন জ্ঞান-বিজ্ঞান সম্পৰ্কে থকা অৱজ্ঞাৰ প্ৰতিৰূপ। বেপ্টিষ্ট মিছনেৰিসকলৰ ধৰ্মপ্ৰচাৰৰ আদি যুগত যি বিস্ময়কৰ মানৱপ্ৰেম আৰু 'অসভ্য' জাতিৰ প্ৰতি কৰুণা দেখা যায়, ফুকনৰ ৰচনাত সি দুৰ্বল। অৱশ্যে তেওঁ এই কথাও কৈছে যে জ্ঞানৰ পোহৰ পোৱাৰ পূৰ্বে ব্ৰিটিছবিলাকো 'অসভ্য'ই আছিল। গুণাভিৰাম বৰুৱাৰ 'আসাম বুৰঞ্জী'ত এই অৱহেলাই বিতৃষ্ণা আৰু ঘৃণাৰ ৰূপ লৈছে। অৰ্থাৎ নৱজাগৰণৰ গণতান্ত্ৰিক সম্ভাৱনা তেতিয়াই পথভ্ৰষ্ট হৈছিল। ১৯৩১ৰ পৰা মিজো পাহাৰত খ্ৰীষ্টানৰ অনুপাত সৰ্বাধিক, আৰু সাক্ষৰতাৰ হাৰো উচ্চ। কিন্তু ভৈয়ামৰ দৰং আৰু গোৱালপাৰা জিলাত জনজাতীয় লোকৰ অনুপাত বেছি হোৱা বাবে তেওঁলোকৰ মাজত আৰু খ্ৰীষ্ট

ধৰ্মৰ বিশেষ প্ৰচাৰ নোহোৱা বাবে শিক্ষাৰ হাৰো নিম্নমুখী। অজনজাতীয়সকলৰ মাজত মেট্ৰিক পাছৰ সংখ্যা ১৯৫১ত ৭৩,৪০০ আৰু ১৯৬১ত ১,৪১,৯৪৮, কিন্তু জনজাতীয়ৰ মাজত ১৯৬১ চনত ৬,৭১৪ জনেহে মেট্ৰিক পাছ। মেট্ৰিক পাছ নকৰাসকলৰ সংখ্যাৰ ০.৩৩% ভাগহে মেট্ৰিক পাছ। জনজাতীয় নেতাসকলে যে শিক্ষাৰ প্ৰয়োজন উপলব্ধি কৰা নাছিল তেনে নহয়। ১৯৩৮ চনত কামৰূপ জিলাৰ জনজাতীয় সন্মিলনৰ প্ৰথম অধিৱেশনৰ সভাপতি ভীমবৰ দেউৰীয়ে কৈছিল যে মানসিক জড়তাই জনজাতীয় দুৰৱস্থাৰ প্ৰধান কাৰণ, আৰু শিক্ষা বিস্তাৰেই এই মানসিক জড়তা দূৰ কৰাৰ প্ৰধান উপায়। যিহেতু চৰকাৰে ট্ৰাইবেলৰ মাজত শিক্ষা বিস্তাৰত বেছি ধন ধাৰ্য নকৰে, তেওঁলোকৰ মাজত শিক্ষাৰ প্ৰসাৰৰ বাবে খাজনা দিয়া টকাৰ প্ৰতি টকাত দুই পইচাকৈ ওপৰঞ্চি ধন ভৰিবলৈ ট্ৰাইবেলসকল সাজু বুলি তেওঁ ঘোষণা কৰিছে। তৎসত্ত্বেও ১৯৬১ চনলৈকে তেওঁলোকৰ মাজত শিক্ষা বিস্তাৰৰ হাৰ নৈৰাশ্যজনক। কাৰণ ঔপনিৱেশিক মনোবৃত্তিৰ শিক্ষিত চামে শিক্ষাক উচ্চবৰ্ণৰ বিশেষাধিকাৰ ৰূপে সংৰক্ষণ কৰিলে।

এপিনে তাৰ সাৰমৰ্মৰ পিনৰপৰা ঔপনিৱেশিক শিক্ষা ব্যৱস্থাই পৰমুখাপেক্ষিতা বৃদ্ধি কৰে, আনপিনে প্ৰসাৰ বা ব্যাপকতাৰ দিশৰপৰাও ঔপনিৱেশিক ব্যৱস্থাই সাক্ষৰতাক সীমাবদ্ধ কৰি ৰাখে। স্বাধীনতাৰ পিছতো ঔপনিৱেশিক শিক্ষাৰ এই দুটা পৰম্পৰাই প্ৰবল হৈ থাকিল। নৱজাগৰণৰ প্ৰকৃত পৰিণতি এনেকুৱাই হ'ল।

ঢেকিয়াল ফুকনে ডেৰশ বছৰ পূৰ্বে তেওঁৰ বাবে সভ্যতাৰ আৰ্হি ইংলেণ্ডৰ বিৱৰণ দাঙি ধৰি অৰুণোদইত তদগত চিত্তে ভগৱানক মিনতি কৰিছিল ঃ

'যি সময়ত অসমত হাবি গুচি ফুলবাৰী হ'ব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পৰ্হা শালি, গিয়ানৰ সভা, চিকিৎসালয়, দুখিয়া-দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হ'ব, আৰু যি কালত লোকসকলে পৰস্পৰ হিংসা নকৰি আটাইক ভ্ৰাতৃৱৎ চেনেহ কৰিব.... কোটি টকা ভেটি পাইও কাৰো অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৰা এই কথা দেসত ভূ নোপোৱা হ'ব, সেই সময় হে পৰমপিতা জগদীশ্বৰ, শীঘ্ৰে ঘটোৱা।'

ডেৰশ বছৰে এই প্ৰাৰ্থনা পূৰণ নহ'ল। মূল কেৰোণ ঔপনিৱেশিক পৰম্পৰাত নেকি, সেই প্ৰশ্নটো সুধিবৰ হ'ল। অৰ্থাৎ নৱজাগৰণৰ উপাখ্যানটোৰ যথাৰ্থতা আমি পুনৰ বিবেচনা কৰি চালেহে ঢেকিয়াল ফুকনৰ সপোন দিঠকত পৰিণত কৰিব পাৰিম।
*(দ্বিতীয় আনন্দৰাম ঢেকিয়াল ফুকন স্মাৰক বক্তৃতা, ২৪ ছেপ্টেম্বৰ, ২০০৩)*